

# বৰ্ণিল

VOL II, 2023

## পদাৰ্থ বিজ্ঞান বিভাগ

### নলবাৰী কলেজ, নলবাৰী

# বর্ণিল

## দ্বিতীয় সংখ্যা

Department of Physics
NALBARI COLLEGE
*** since 1958 ***

২০২২-২৩ বর্ষ

মুখ্য সম্পাদক : সমুদ্র বৈশ্য

# বৰ্ণিল

## দ্বিতীয় সংখ্যা : ২০২২-২৩

## সম্পাদনা সমিতি

**উপদেষ্টা মণ্ডলী**

ড° হংসধৰ ৰাজবংশী
অনন্ত ৰাজবংশী
ড° নিপন মজুমদাৰ
সুৰজিৎ শৰ্মা
ড° হেমেন কাকতি
ড° ধ্রুৱজ্যোতি গগৈ

**মুখ্য সম্পাদক**

সমুদ্র বৈশ্য

**সহকাৰী সম্পাদক**

ৰিকী শৰণীয়া

**ব্যৱস্থাপনা**

কৃতীৰাজ কলিতা

**বেটুপাত**

মনীষা বৰ্মন

**প্ৰকাশক** :

পদাৰ্থ বিজ্ঞান বিভাগ

**সদস্য**

শিল্পা কলিতা
অঞ্জন বৰ্মন
বনজিত ডেকা
তন্ময় শৰ্মা
বিশাল মিশ্ৰ
অভিলাস কাশ্যপ
কৃষ্ণ ৰাজবংশী
জিন্তু তালুকদাৰ
চন্দ্ৰপল বৰুৱা


বিশেষভাৱে ধন্যবাদ : ড° কমল নয়ন পাটোৱাৰী , অধ্যক্ষ , নলবাৰী কলেজ

ধন্যবাদঃ বিভাগীয় বিষয়বৰীয়া, প্ৰাক্তন ছাত্ৰ, গ্ৰন্থাগাৰৰ বিষয়বৰীয়া আৰু নলবাৰী কলেজৰ শুভাকাংক্ষী সকল ।


বিঃ দ্ৰঃ যিকোনো আপত্তিজনক লিখনীৰ বাবে লেখকসকল দায়বদ্ধ থাকিব ।

- সম্পাদনা সমিতি

Dr. Kamal Nayan Patowary
Principal
Nalbari College,Nalbari




# Principal's Pen

**It is a matter of immense delight that the students of the department of physics is bringing out their 2nd edition of their online magazine "Barnil". True education promotes not only excellence in academics but other activities as well and it is gratifying that the department of physics is advancing towards a virtuous stride. I hope this edition will be as colourful and full of reading material as before and will be enjoyed. This will motivate students to participate in activities which altogether contribute to a colourful reading material. I am certain that this edition would be a relishing reading material. I extend my best wishes to the editorial board and the contributors for bringing out this issues which will generate lots of enthusiasm across all sections of our college.**

**Dr. Kamal Nayan Patowary**

Dr. Hangshadhar Rajbongshi
Former-Head of the Department of Physics
Nalbari College,Nalbari



# FORMER HOD's Pen

**It is a matter of great pleasure and proud that our Department the Department of Physics is going to publish it's second issue of online magazine 'BARNIL'. The name 'BARNIL' itself means colorful. I hope the magazine will be able to reflect the colorful thoughts of our Department. I wish best congratulations to all the students of our Department for making published this issue of the magazine .**

**Dr. Hangshadhar Rajbongshi**

Ananta Rajbongshi
Head of the Department of Physics
Nalbari College,Nalbari



# HOD's Pen

**It gives me immense pleasure knowing that the students of our department is going to publish the 2nd issue of our departmental e-megazine. I would like to take a moment to congratulate all of you on the upcoming release of the second issue of our departmental e-magazine. This is an incredible achievement, and I am incredibly proud of each and every one of you!**

**It takes a great deal of hard work, dedication, and creativity to put together a magazine, and you have all shown an exceptional level of commitment. Your willingness to collaborate, share ideas, and contribute your unique perspectives has truly made this magazine a standout.**

**In this upcoming issue, I am sure that we will once again be amazed by the incredible articles, stories, and artwork that you have all produced. Your passion and talent shine through each page, and I have no doubt that our readers will be captivated by your work.**

**Remember, this magazine not only showcases your individual talents, but also represents our department as a**

whole. As such, it is important to approach this opportunity with professionalism and care. Proofread your articles, double-check your formatting, and ensure that everything is accurate before we hit that "publish" button. Together, we can create a magazine that is not only visually appealing, but also content-rich and thought-provoking.

I would also like to extend my gratitude to our editorial team for their hard work in organizing and curating the content. Your dedication and attention to detail have been truly commendable, and we couldn't have achieved this without your efforts.

As we prepare for the release, let's continue supporting and encouraging one another. Share your excitement for the upcoming issue on social media, invite friends and family to read it, and let's celebrate our collective achievement. Remember, we are a team, and together we are capable of incredible things.

Once again, congratulations on this milestone, and thank you for your incredible efforts in bringing the second issue of our departmental e-magazine to life.

Best regards,

Ananta Rajbongshi



# সম্পাদকীয়

গান গোৱাৰ কথা আছিল, সুৰ দিব নোৱাৰিলোঁ
চিঠি লিখাৰ কথা আছিল, আখৰ পাহৰিলোঁ
সম্প্ৰতি মই দিগন্তত বন্দী এটা মুকলি চৰাই।।

প্ৰতিবেদনৰ আৰম্ভণিতে সমাজৰ অন্ধকাৰ নাশ কৰি শিক্ষাৰ বন্তিৰে সমাজখনক উজলাই তোলাৰ উদ্দেশ্যে নলবাৰী মহাবিদ্যালয়ত পোনপ্ৰথবাৰৰ বাবে যিসকল ব্যক্তিৰ প্ৰচেষ্টাত পদাৰ্থ বিজ্ঞান বিভাগৰ স্থাপন হৈছিল সেইসকল পৰম- পূজনীয় ব্যক্তিক মই মোৰ শ্ৰদ্ধা নিবেদিছোঁ।

পদাৰ্থ বিজ্ঞান বিভাগৰ বিভাগীয় ই আলোচনীৰ দ্বিতীয় সংস্কৰণলৈ আপোনালোকক স্বাগতম! জ্ঞান আৰু সৃষ্টিশীলতাৰ মনোভাৱক উদ্ যাপন কৰিবলৈ ইয়াত গোট খোৱাৰ লগে লগে আমি নিজে এক পৰিৱৰ্তনশীল যুগৰ শিখৰত উপনীত হওঁ। পৰিৱৰ্তনৰ বতাহ বলিছে, নতুন নতুন ধাৰণা, প্ৰযুক্তি, আৰু দৃষ্টিভংগী উলিয়াইছে যিয়ে আমাৰ কলেজীয়া অভিজ্ঞতাক আগতে কেতিয়াও নোপোৱাৰ দৰে গঢ় দিছে।

মই আগৰ সম্পাদকীয়ত এটা কথা কৈছিলো আৰু এইবাৰ ও কওঁ বিদ্যালয়ত পঢ়ি থাকোতে এগৰাকী শিক্ষকে মোক এষাৰ কথা কৈছিল, যিষাৰ কথাই মোক এই ই- আলোচনীখন প্ৰকাশ কৰি উলিওৱাৰ প্ৰতিটো ক্ষণতে অনুপ্ৰেৰণা যোগাইছিল । সেই কথাষাৰ আছিল এনেকুৱা ধৰণৰ, "যিজন শিশুৰ মনত কিতাপ পঢ়াৰ প্ৰৱণতা গঢ়িব পৰা যাব, ভৱিষ্যত জাতি গঠনত সেইজনৰ নিশ্চিত অৰিহণা বাৰুকৈয়ে থাকিব । শিশু বা সন্তান এটিক পুতলা বা পিষ্টল কিনি দি জীৱনৰ ব্ৰহ্মপুৱাতে আসুৰীক মনোবৃত্তিৰ আখৰা কৰি দিয়াতকৈ গ্ৰন্থ পিপাসু মানসিকতা গঢ়ি তোলাটো ভাল। তেতিয়া সেই শিশুৰ দ্বাৰা গঠিত সমাজখন নিশ্চিতভাৱে সুন্দৰ হয়।" এনেহেন ব্যৱস্থাৰে পৰিবেশ সৃষ্টি কৰিব পাৰিলে মানৱ সমাজক অধঃপতনৰ কৰাল গ্ৰাসৰ পৰা উদ্ধাৰ কৰাৰ এক ফলপ্ৰসূ বুনিয়াদ ৰচনা কৰিব পাৰি ।



নলবাৰী মহাবিদ্যালয়ৰ এই বিভাগটোত পঢ়াৰ সুবিধা পোৱাৰ বাবে মই নিজকে গৌৰৱান্বিত। তাতোকৈ ডাঙৰ কথা বিভাগটোৰ পৰা দ্বিতীয়বাৰৰ বাবে প্ৰকাশ পাব লগা ই- আলোচনীখনৰ সম্পাদনাৰ দায়িত্বভাৰ

পুনৰবাৰ পালন কৰাটো। আলোচনী এখন সম্পাদনা কৰাটো বৰ দূৰূহ কাম। ইয়াত ভুল ত্ৰুটি ৰৈ যোৱাটো স্বাভাৱিক যদিও সম্পাদনা সমিতি, শিক্ষাগুৰু সকল তথা বন্ধুবৰ্গৰ সহযোগ তথা সু-পৰামৰ্শৰ বাবে আলোচনীখন যিমান সম্ভৱ সুন্দৰৰূপত প্ৰকাশ কৰাৰ বাবে যৎ কিঞ্চিৎ চেষ্টা কৰা হৈছে। এখন উৎকৃষ্টমানৰ আলোচনী হ'বলৈ হ'লে তাৰ লিখনি সমূহ উৎকৃষ্ট হোৱাটো নিতান্তই প্ৰয়োজনীয়। কিন্তু আমি সকলো ছাত্ৰ ছাত্ৰী সাহিত্যৰ পথাৰখনত যিহেতু কম অভিজ্ঞ সেয়েহে লিখনি সমূহত কিছু পৰিমাণে হলেও ভুল-ত্ৰুটি হোৱাটো স্বাভাৱিক। সেয়ে লিখকৰ লিখনিসমূহ গুণগত দিশৰ পৰা বিচাৰ নকৰি লিখকৰ লিখাৰ যি প্ৰবল হেঁপাহ তাক সকলোৱে প্ৰশংসা কৰা উচিত।

নলবাৰী কলেজত মই অতিবাহিত কৰা দিনবোৰৰ ভিতৰত ২০২৩ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ দিনকেইটা অন্যতম। ব্যক্তিগত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাতকৈ বেছি উৎসাহিত আছিলোঁ বিভাগীয় প্ৰতিযোগিতাত পুৰস্কাৰ পোৱাত । দৰাচলতে এটা সপোন বুকুত বান্ধি আমি পদাৰ্থ বিজ্ঞান পৰিয়াল আগবাঢ়িছিলোঁ নলবাৰী কলেজৰ বিভাগ সমূহৰ ভিতৰত পদাৰ্থ বিজ্ঞান বিভাগক একক, অনন্য আৰু শ্ৰেষ্ঠ ৰূপে আকৌবাৰ চিনাকি কৰাই দিয়াৰ বাবে । আমাৰ এই সপোনক বাস্তৱ ৰূপ দিয়াত বহুতো প্ৰত্যাহ্বান আহিছিল যদিও আমাৰ এই পৰিয়ালৰ প্ৰত্যেক গৰাকী সদস্যৰ অদম্য উৎসাহ আৰু কষ্টৰ ফলস্বৰূপে

📌 বিভাগীয় পৰিষ্কাৰ প্ৰতিযোগিতাত :- প্ৰথম

📌 প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাত :- তৃতীয় আৰু

📌সাংস্কৃতিক শোভাযাত্ৰাত :- তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হওঁ ।

সাংস্কৃতিক শোভাযাত্ৰাত আমাৰ বিষয়বস্তু আছিল, " ভাৰতীয় বিজ্ঞানৰ সোণোৱালী যাত্ৰা : "বৈদিক যুগৰ পৰা বৰ্তমানলৈ"। আমাৰ এই শোভাযাত্ৰাত Father of plastic surgery খ্যাত সুশ্ৰুত ৰ পৰা কনাদ, পতঞ্জলি, আৰ্যভট্ট, ব্ৰহ্মগুপ্ত, পাণিনি তাৰ পিছত আধুনিক যুগৰ চি. ভি. ৰমনৰ পৰা আৰম্ভ কৰি হোমি জাহাঙ্গীৰ ভাবা, ৰামানুজন, জগদীশ চন্দ্ৰ লৈ, এ. পি. জে. আব্দুল কালাম আৰু বিক্ৰম চাৰাভাইয়ে চাইকেলত ৰকেট ৰ সামগ্ৰী নিয়াৰ পৰা আৰম্ভ কৰি Team Misson Mangal লৈ ভাৰতীয় বিজ্ঞানৰ এই সোণোৱালী যাত্ৰাক Theme হিচাপে লৈ কেৱল বিজ্ঞান মানেই যে এলবাৰ্ট আইনষ্টাইন, নিউটন নহয়, ভাৰতীয় বিজ্ঞান বৈদিক যুগৰ পৰায়ে যে সমৃদ্ধ সেয়া দেখাবলৈ পদাৰ্থ বিজ্ঞান বিভাগৰ পৰা চেষ্টা কৰিছিলোঁ। আমাৰ উদ্দেশ্য আছিল আধুনিক বিজ্ঞানৰ শিপা যে পাহৰণিৰ গৰ্ভত থকা আমাৰ বৈদিক ভাৰতীয় বিজ্ঞান তাক সোঁৱৰাই দিয়া ।

প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাত আমাৰ বিষয়বস্তু আছিল, "খেলত পদাৰ্থ বিজ্ঞান (Physics of sports)" । আমি দৈনন্দিন খেলি অহা খেলসমূহৰ আঁৰত নো পদাৰ্থ

বিজ্ঞান কেনেকৈ জড়িত ? সেয়া আমি বিভিন্ন ধৰণে প্ৰাচীৰ পত্ৰিকাখনৰ দ্বাৰাই বুজাব চেষ্টা কৰিছিলোঁ।"লাচিতে যদি এৰাতিত গড় বান্ধিব পাৰে, তেন্তে আমিনো এখন প্ৰাচীৰ পত্ৰিকা বনাব নোৱাৰিম নে ?"

এনেকুৱা প্ৰেৰণা লৈ বন্ধু কৃতিৰাজৰ অদম্য উৎসাহ আৰু বান্ধৱী শিল্পা, নিশিতাৰ গোটেই ৰাতি কৰা কষ্টৰ অন্তত এক ৰাতিৰ ভিতৰত সম্পূৰ্ণ কৰা প্ৰাচীৰ পত্ৰিকা খনে তৃতীয় স্থান পাবলৈ সক্ষম হৈছিল। আৰু বহুত পৰিকল্পনা আছিল, এক নতুনত্ব দিয়াৰ চিন্তা- চৰ্চা কৰিছিলোঁ কিন্তু সময়, আৰ্থিক আৰু সহযোগিতাৰ অভাৱত সেই পৰিকল্পনাক বাস্তৱ ৰূপ দিয়াত আমি সফল হব নোৱাৰিলোঁ। আৰু মহাবিদ্যালয় সপ্তাহত আমি আটাইতকৈ গুৰুত্ব সহকাৰে লৈছিলো বিভাগটোক নো কেনেকৈ পৰিষ্কাৰ কৰি ৰাখিব পাৰো যিহেতু নলবাৰী কলেজৰ আন বিভাগ সমূহৰ ভিতৰত পদাৰ্থ বিজ্ঞান বিভাগেই হৈছে আন্তঃগাথঁনিৰ ক্ষেত্ৰত আটাইতকৈ পিছপৰা বিভাগ । গতিকে আমাৰ উদ্দেশ্য কেৱল বিভাগীয় পৰিষ্কাৰ প্ৰতিযোগিতাত পুৰস্কাৰ পোৱাই নাছিল, আমি এই পুৰস্কাৰৰ দ্বাৰাই নলবাৰী কলেজ কৰ্তৃপক্ষক আমাৰ বিভাগৰ জৰাজীৰ্ণ আন্তঃগাথনি দৃষ্টিগোচৰ কৰিব বিচাৰিছিলো । আৰু বিভাগীয় পৰিষ্কাৰ প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰৰ দ্বাৰাই কিছু পৰিমাণে আমি সফল হোৱা বুলি অনুভৱ কৰোঁ । তাৰ পিছতে সকলোতকৈ ভাল লগা কথাটো হল পদাৰ্থ বিজ্ঞান বিভাগৰ সৰ্বমুঠ ৩৬ টা পুৰস্কাৰ লাভ কৰাটো ।

বাৰু যি কি নহওঁক নলবাৰী কলেজ তথা পদাৰ্থ বিজ্ঞান বিভাগৰ লগত থকা স্মৃতি বিলাক অভিজ্ঞতাৰ পাতত সোণালী আখৰেৰে জিলিকি থাকিব । এই ই- আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত যিসকল ব্যক্তিয়ে সহায়- সহযোগ আগবঢ়ালে তেওঁলোক সকলোকে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ। ই- আলোচনীখনৰ বেটুপাত প্ৰস্তুত কৰি দিয়া বাবে মনীষা, বৰ্ণিল নামটোৰ প্ৰস্তাৱ দিয়া ৰূপাঙ্ক ডেকা, প্ৰতিটো কামত সহায় সহযোগিতা আগবঢ়োৱা ৰিকী শৰণীয়া, লগতে ই- আলোচনীখন প্ৰস্তুতৰ পৰিকল্পনাৰ দিনৰে পৰা আগভাগ লোৱা বন্ধু কৃতিৰাজ কলিতাক বিশেষ কৃতজ্ঞতা জনালোঁ।

শেষত অজানিতে হোৱা ভুল - ত্ৰুটিৰ ক্ষমা - মাৰ্জনা বিচাৰি সম্পাদকীয় পাতৰ সামৰণি মাৰিলোঁ।

ধন্যবাদ

জয়তু নলবাৰী কলেজ

জয়তু পদাৰ্থ বিজ্ঞান বিভাগ

"জয় আই অসম।"

সমুদ্ৰ বৈশ্য
মুখ্য সম্পাদক

# ভিতৰ চ'ৰা

## প্ৰবন্ধ আৰু গল্প :


- অসমীয়া দিনপঞ্জী(Assamese Calendar)/কৃতীৰাজ কলিতা 01
- আমাৰ পুথিভঁৰাল আৰু ছাত্ৰ ছাত্ৰীৰ দায়িত্ব/বিশাল মিশ্ৰ 04
- আমাৰ সমাজব্যৱস্থা আৰু শিক্ষা / সমুদ্ৰ বৈশ্য 05
- এনাজৰী/জয়শ্ৰী কলিতা 11
- কোলাহল/ প্ৰবাল শৰ্মা 13
- ছানছেট অভাৰ দি হুগলী ৰিভাৰ/ শিল্পা কলিতা 14
- দায়িত্ব/ভাৰ্গৱ দাস 16
- পাজী মে খেলেগা/অলকেশ হালৈ 17
- বিজ্ঞানৰ কিছু শেহতীয়া খবৰ/ ধ্ৰুৱজ্যোতি বেজবৰুৱা 20
- বৰ্তমান অসমৰ সংস্কৃতি/ডেভিদ শৰ্মা 22
- মঙলতি ভূত/ভাৰ্গৱ দাস 23
- মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শৈল্পিক আৰু ধাৰ্মিক উত্তৰণত চিলাৰায়ৰ ভূমিকা/অৰ্ণবজ্যোতি তালুকদাৰ 24
- শিক্ষক আৰু শিক্ষাদান/কৌশিক দাস 29
- সহানুভূতি/জিন্তু তালুকদাৰ 31


## কবিতা :


- অনুভৱ/মনীষা বৰ্মন 32
- নীলিম/ধ্ৰুৱজ্যোতি বেজবৰুৱা 33
- প্ৰশমন/কৃষ্ণ ৰাজবংশী 34
- বনৰীয়া/অঞ্জন আকাশ 35
- বিভীষিকা/জিন্তু তালুকদাৰ 36
- বিষাদৰ হাঁহি/দ্বীপজ্যোতি শৰ্মা 37


## ***English Section***

## Essays :


- DOES MONEY MAKE MANY THINGS?/ Kaushik Das 38
- Growing up/Meghna Sarma 39
- The Old Indian Vedic Gurukul Education System/Nabajyoti Baishya 40
- Traditional sports of North East India / Chandrapal Barua 42



## Poems :


- Since we were two/ Akash Acharya 48
- THE ROAR/ Bedanta Bikash Baishya 49
- The Waif/ Ricky Sarania 50

**মহাবিদ্যালয় সপ্তাহ-২০২৩ ত পদাৰ্থ বিজ্ঞান বিভাগৰ পুৰস্কাৰ সমূহ** 51

**Photo Gallery** 53

**Photography** 61



বেলি বুৰ যোৱা নৈত
সামৰি
পোহৰ ফালি সময়ৰ
সম্বন্ধ
তেজী পুৱাৰ সোণোৱালী
আভাৰে
লিখা এটি বৰ্ণিল

# প্ৰবন্ধ আৰু গল্প

# অসমীয়া দিনপঞ্জী(Assamese Calendar)



অসমীয়া আৰু ইংৰাজী কেলেণ্ডাৰৰ মাজত পাৰ্থক্য কি ? শকাব্দ, ভাস্কৰাব্দ, শঙ্কৰাব্দ, মাধৱদেৱাব্দ এইবোৰনো কি? ইংৰাজীৰ দৰে অসমীয়াত অধিবৰ্ষ(leap year) আছেনে? ১২ টা ৰাশি আৰু ১২ মাহৰ মাজৰ সম্পৰ্কটো কি? এইবছৰ( ২০২৩ ইং) সৰস্বতী পূজা ২৬ জানুৱাৰীত পালন কৰা হয় কিন্তু অহাবছৰ(২০২৪ ইং) ১৪ ফেব্ৰুৱাৰীত পালন কৰা হ'ব । কিছুমান উৎসৱ পালনৰ দিন প্ৰতিবছৰে সলনি হোৱাৰ কাৰণটোনো কি? এইবোৰ প্ৰশ্ন নিশ্চয়কৈ আমাৰ মনলৈ আহে কিন্তু উত্তৰ জানিবলৈহে অৱহেলা ।

অসমীয়া পঞ্জিকা সৌৰজগতৰ ভূকেন্দ্ৰিক(geocentric) আৰ্হিৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা হয় । ই হ'ল এক সৌৰ পঞ্জিকা(solar calendar) অৰ্থাৎ তৰাৰ সাপেক্ষে সূৰ্য্যৰ আপাত অৱস্থানৰ আধাৰত দিনবোৰ গণনা কৰা হয় ।

সূৰ্য্যই দূৰৰ নিৰ্দিষ্ট তৰাবোৰৰ সাপেক্ষে পৃথিৱীখনক এবাৰ প্ৰদক্ষিণ কৰি আৰম্ভণিৰ বিন্দুলৈ ঘূৰি অহা সময়খিনিক সৌৰমান বৰ্ষ(sidereal year) বোলে, ইয়াকেই অসমীয়া এবছৰ বুলি ধৰা হয় । ১ সৌৰবৰ্ষ = ৩৬৫.২৫৬ সৌৰদিন । আকৌ, পৃথিৱীৰ চাৰিওফালে সূৰ্য্যৰ ৩০° চাপক ৰাশি বোলে । এনেকৈ গোটেই কক্ষপথটোক ৩৬০°/৩০°= ১২ টা ভাগত অৰ্থাৎ ৰাশিত ভগাব পাৰি আৰু এই একোটা ৰাশি সূৰ্য্যই অতিক্ৰম কৰিবলৈ লোৱা সময়খিনিকেই সৌৰমাহ(solar month) বোলে । ৰাশিসমূহৰ নামাকৰণ পূৰ্বৰ নক্ষত্ৰমণ্ডলৰ নামেৰেই কৰা হয় । উদাহৰণহিচাপে মেঘ আৰু বৃষ নক্ষত্ৰমণ্ডলৰ মাজত আছে মেঘ ৰাশি । ৰাশিসমূহ আৰু এইবোৰৰ সংশ্লিষ্ট সৌৰমাহবোৰ তলত দিয়া ধৰণৰ :-

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| মেঘ | বৃষ | মিথুন | কৰ্কট | সিংহ | কন্যা | তুলা | বৃশ্চিক | ধনু | মকৰ | কুম্ভ | মীন |
| ব'হাগ | জেঠ | আহাৰ | শাওণ | ভাদ | আহিন | কাতি | আঘোণ | পুহ | মাঘ | ফাগুণ | চ'ত |

সূৰ্য্যই এটা ৰাশিৰ পৰা অইন এটা ৰাশিত প্ৰৱেশ কৰা মুহূৰ্তক সংক্ৰান্তি বুলি জনা যায় আৰু প্ৰৱেশ কৰিবলৈ লোৱা ৰাশিৰ নামেৰেই সংক্ৰান্তিৰ নামাকৰণ কৰা হয় । যেনে মকৰ ৰাশিত প্ৰৱেশ কৰা মুহূৰ্তক মকৰ সংক্ৰান্তি বোলে যাক আমি অসমীয়াই মাঘ/ভোগালী বিহু হিচাপে পালন কৰো । সৌৰমাহবোৰৰ মুঠ দিনৰ সংখ্যা স্থিৰ নহয়, প্ৰতিবছৰে মাহবোৰৰ মুঠ দিনৰ সংখ্যা সলনি হৈ থাকে । দৰাচলতে সূৰ্য্যই নিজ কক্ষপথত ঘূৰোতে প্ৰতিবছৰে ৰাশিসমূহ অতিক্ৰম কৰাৰ সময়ৰ অন্তৰালৰ কিছু সাল-সলনি ঘটে । ইংৰাজীৰ দৰে অসমীয়া পঞ্জিকাতো লিপ্ইয়েৰ বা অধিবৰ্ষ আছে কিন্তু দুয়োটা প্ৰণালীৰ মাজত কিছু পাৰ্থক্য আছে ।

| বৰ্ষপঞ্জী(সৌৰ অব্দ) | আৰম্ভণি বৰ্ষ |
|---|---|
| ভাস্কৰাব্দ | কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজ অভিষেক |
| শকাব্দ | শালিবাহনৰ হাতত শকসকলৰ পৰাজয় |
| শঙ্কৰাব্দ | মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম |
| মাধৱদেৱাব্দ | মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ জন্ম |

এতিয়া আহিছো শেষৰ প্ৰশ্নটোলৈ; কিছুমান উৎসৱ-পাৰ্বন যেনে সৰস্বতী পূজা, শিৱৰাত্ৰি, দুৰ্গাপূজা আদিৰ পালনৰ দিন প্ৰতিবছৰে কিয় সলনি হয় ? ইয়াৰ বৰ্ণনা এইধৰণে দিব পাৰি যে কিছুমান উৎসৱ সৌৰ পঞ্জিকা(solar calendar) ৰ আধাৰত পালন কৰা হয় যেনে অসমীয়াৰ ব'হাগ বিহু, কাতি বিহু, ভোগালী বিহু ইত্যাদিবোৰৰ দিন নিৰ্দিষ্ট(বৰ বেছি এদিনৰ অগা-পিছা হ'ব পাৰে) আনহাতে কিছুমান উৎসৱৰ দিন চন্দ্ৰ পঞ্জিকা(lunar calendar) অনুযায়ী চলা বাবে পৰিৱৰ্তনশীল । উদাহৰণহিচাপে সৰস্বতী পূজা মাঘ মাহৰ শুক্ল পঞ্চমী তিথিত পালন কৰা হয় । শুক্লপক্ষ আৰু কৃষ্ণপক্ষৰ বিষয়ে আমি সকলোৱে জানো কিন্তু এই তিথি মানেনো কি ?

পৃথিৱী-সূৰ্য্যৰ অক্ষৰ প্ৰতি চন্দ্ৰই ১২° আগবাঢ়ি যাবলৈ লোৱা সময়কেই তিথি বোলে। তিথিক সহজভাৱে চন্দ্ৰদিন(lunar day) বুলিবও পাৰি । ৩০ টা তিথিৰ সমষ্টিয়েই হ'ল এক চন্দ্ৰ মাহ(lunar month) । তিথিৰ উপৰিও কিছুমান অসমীয়া পঞ্জিকাত নক্ষত্ৰ, যোগ, কৰণ ইত্যাদিবোৰৰ উল্লেখও পোৱা যায় ।

**নক্ষত্ৰ** : পৃথিৱীৰ চাৰিওফালে চন্দ্ৰৰ কক্ষপথৰ ১৩°২০' চাপক নক্ষত্ৰ বোলা হয় ।

১৩°২০' = (১৩ + ২০/৬০)° = (৪০/৩)°

৩৬০° ÷ (৪০/৩)° = (৩×৩৬০)/৪০ = ২৭

অৰ্থাৎ মুঠ নক্ষত্ৰৰ সংখ্যা ২৭ টা । পঞ্জিকাৰ ভাষাত চন্দ্ৰই এক নক্ষত্ৰ অতিক্ৰম কৰিবলৈ লোৱা সময়কেই নক্ষত্ৰ বুলি কোৱা হয় । মেঘ ৰাশিৰ ০° পৰা আৰম্ভ কৰি ২৭ টা নক্ষত্ৰৰ নামসমূহ এনেধৰণৰ : অশ্বিণী, ভৰণী, কৃত্তিকা, ৰোহিণী, মৃগশীৰ্ষা, আৰ্দ্ৰা, পুনৰ্বসু, পুষ্য, আশ্লেষা, মঘা, পূৰ্ব ফাল্গুনী, উত্তৰ ফাল্গুনী, হস্ত, চিত্ৰা, স্বাতি, বিশাখা, অনুৰাধা, জ্যেষ্ঠা, মূল, পূৰ্বাষাঢ়া, উত্তৰাষাঢ়া, শ্ৰৱণা, ধনিষ্ঠা, শতভিষা, পূৰ্বভাদ্ৰপদা, উত্তৰ ভাদ্ৰপদা, ৰেৱতী ।

**কৰণ** : তিথিৰ অৰ্ধক কৰণ বোলে । কৰণ দুই প্ৰকাৰৰ - স্থিৰ (শকুনি, চতুষ্পাদ, নাগ, কৌস্তভ -মুঠ চাৰিটা) আৰু অস্থিৰ (বভ, বালৱ, কৌলভ, তৈতিল, গৰজ, বনিজ,

বিষ্টি -মুঠ সাতটা)। মুঠ কৰণ = ৬০ টা(৩০ তিথি × ২ কৰণ/তিথি = ৬০ কৰণ)। শুক্লপক্ষৰ প্ৰথম কৰণ হ'ল কৌস্তভ কৰণ । পৰৱৰ্তী ৫৬ টা কৰণত অস্থিৰ কৰণ সাতোটাৰ আঠবাৰ পুণৰাবৃত্তি হয়(৭ × ৮ = ৫৬) আৰু শেষৰ তিনিটা কৰণ স্থিৰ কৰণে দখল কৰে।

**যোগ** : সূৰ্য্য আৰু চন্দ্ৰৰ দ্ৰাঘিমাংশ(solar and lunar longitude)ৰ যোগফলক ০° ৰ পৰা ৩৬০° ৰ ভিতৰত ২৭ টা ভাগত ভগোৱা হয় আৰু এই প্ৰত্যেকটো ভাগকেই এক যোগ বুলি কোৱা হয়। যোগসমূহ: বিষ্কুম্ভ, প্ৰিতি, আয়ুষ্মান, সৌভাগ্য, শোভানা, অতিগণ্ড, সুকৰ্ম, ধৃতি, শূল, গণ্ড, বৃদ্ধি, ধ্ৰুৱ, ব্যাঘত, হৰ্ষণ, বজ্ৰ, সিদ্ধি, ব্যাতিপাত, বৰিয়স, পৰিঘ, শিৱ, সিদ্ধ, সাধ্য, শুভ, শুক্ল, ব্ৰহ্ম, মাহেন্দ্ৰ আৰু বৈধৃতি।

**মোৰ জন্মৰ তথ্য:**

**তাৰিখ** : ১১ ফাগুণ ১৪০৮ ভাস্কৰাব্দ

**বাৰ** : ৰবিবাৰ

**তিথি** : শুক্লপক্ষৰ দ্বাদশী তিথি

**সময়** : দিনৰ ৮:০০ বজা

**কৰণ** : শুক্লপক্ষৰ দ্বাদশ তিথিৰ দিনা দিনৰ ৮:০০ বজালৈ মুঠ কৰণৰ সংখ্যা = (১২×২-১)= ২৩ টা। স্থিৰ কৰণ এটা আৰু অস্থিৰ কৰণ ৭×৩=২১ টা পাৰ হৈ ২৩ নং কৰণটো হ'ব বভ কৰণ।

**সূৰ্য্যৰ অৱস্থান** : ৩১১°২৪'

**ৰাশি** : সূৰ্য্য ৩০০°-৩৩০° অন্তৰালত থকা বাবে ৰাশি হ'ল কুম্ভ ৰাশি অৰ্থাৎ ফাগুণ মাহ।

**চন্দ্ৰৰ অৱস্থান** : ৮৫°৫১'

**নক্ষত্ৰ আৰুজন্মৰাশি** : চন্দ্ৰৰ অৱস্থান ৬০°-৯০° অন্তৰালত থকা বাবে জন্মৰাশি হ'ল মিথুন আৰু ৮০°-৯০°২০' অন্তৰালত থকা বাবে নক্ষত্ৰ হ'ব পুনৰ্বসু।

**যোগ** : সূৰ্য্য-চন্দ্ৰৰ দ্ৰাঘিমাংশৰ যোগফল(১১°২৪' + ২৫°৫১' = ৩৭°১৫') ২৬°৪০' আৰু ৪০° ৰ ভিতৰত আছে বাবে যোগ হ'ব আয়ুষ্মান যোগ।

বাৰ, তিথি, কৰণ, নক্ষত্ৰ, যোগ - এই পাঁচোটাক পঞ্জিকাৰ পঞ্চাঙ্গ বোলে আৰু অসমীয়া পঞ্জিকাক অন্তৰ্ভুক্ত কৰি হিন্দু কেলেণ্ডাৰ সমূহক পঞ্চাঙ্গ বুলিও কোৱা হয়।

আশা কৰোঁ পাঠকে প্ৰৱন্ধটি পঢ়ি আমোদ পাব আৰু লগতে পঞ্জিকাৰ গণনাৰ আঁৰত থকা জ্যোতিৰ্বিজ্ঞান জানিবলৈ আগ্ৰহী হ'ব। বাৰু, কোনো পঞ্জিকাত লোচোৱাকৈ আজি অসমীয়াৰ কি তাৰিখ ক'ব পাৰিবনে?

কৃতীৰাজ কলিতা
ষষ্ঠ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

# আমাৰ পুথিভঁৰাল আৰু ছাত্ৰ ছাত্ৰীৰ দায়িত্বঃ



সত্যনাথ বৰা দেৱে "পুথিঅধ্যয়ন "প্ৰবন্ধত লিখিছিল - "পুথিৰ বিদ্যা থুপাই থোৱা ধনৰ নিচিনা। অৰ্থাৎ ধনৰাশি মানুহৰ কষ্টৰ ফল। বহুত কষ্ট কৰি মানুহে ধন আৰ্জি তাক ভৱিষ্যত প্ৰজন্মলৈ ৰাখি থয় । ঠিক তেনেদৰে ঋষি মুনিৰ পৰা বৈজ্ঞানিক, অৰ্থনৈতিক, ৰাজনৈতিক পণ্ডিত সকলে তেখেতসলৰ জীৱনত পঢ়ি শুনি লাভ কৰা অভিজ্ঞতা সমূহ কিতাপ আকাৰে লিখি ভৱিষ্যত প্ৰজন্মলৈ থৈ গ'ল। এই সমূহ পুথি য'ত শৃংখলা বদ্ধ ভাবে, সংৰক্ষিত ভাবে পদ্ধতিগত ভাবে ৰখা হয় সেয়ে পুথিভঁৰাল। য'ত আমি হাজাৰ হাজাৰ আগৰ প্ৰতিটো স্তৰৰ কথা তথা নতুন বিভিন্ন তথ্য জানিবলৈ সক্ষম হওঁ।এই পুথি অধ্যয়ন কৰি সময়ে সময়ে নতুন নতুন জ্ঞানৰ অধিকাৰী হৈছে। বিভিন্ন দেশৰ মানুহৰ ৰীতি নীতি, অৰ্থনীতি, ধৰ্মনীতি আদি সন্নিৱিষ্ট হৈ থকা পুথি সমূহ মানুহৰ বাবে অতি প্ৰয়াজনীয় হৈ পৰিছে।

বৰ্তমান সময়ত মানুহৰ মাজত পুথি অধ্যয়নৰ স্পৃহা জগাই তুলি, মানুহৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰি সমাজ সচেতন কৰা আত্ম সচেতন কৰাৰ বাবে পৃথিৱীৰ সমূহ দেশে প্ৰচেষ্টা লোৱা দেখা গৈছে। বিশ্ব ভাতৃত্ব বোধ যাতে মানুহৰ মাজত সঞ্চাৰ হয়। এই ক্ষেত্ৰত আমাৰ উঠি অহা নৱ প্ৰজন্মই গুৰুত্বপূৰ্ণ সঁহাৰি আগবঢ়োৱাটো বৰ প্ৰয়োজনীয় হৈ আহিছে। আমাৰ ছাত্ৰ- ছাত্ৰী সমাজে পুথিভঁৰালৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি সমাজত দাঙি ধৰিব লাগিব অধ্যয়নৰ সুযোগ সুবিধা। মোবাইলে মানুহক ক্ষন্তেক সময়ৰ বাবেহে দিয়ে মনোৰঞ্জন কিন্তু অধ্যয়নে দিয়ে সমাজ পৰিবৰ্তন অনাৰ আহিলা। অধ্যয়ন অবিহনে পৃথিৱীত কোনো কাম সম্ভৱ হোৱা নাই। ছাত্ৰ ছাত্ৰী সকলে সংঘবদ্ধ ভাবে পুথিভঁৰালত গৈ পুথি অধ্যয়ন কৰি বা পুথিভঁৰালৰ পৰা পুথি আহৰণ কৰি ঘৰতেই অধ্যয়ন কৰি সমাজৰ প্ৰতিটো স্তৰৰ সমস্যা বা সমস্যা সৃষ্টি হোৱা কাৰণ জানিবলৈ সক্ষম হব। আজিৰ ছাত্ৰ কাইলৈৰ নাগৰিক। দেশৰ সকলো দিশ সুস্থিৰ ভাবে আগবঢ়াই নিবলৈ সক্ষম হব।

অসম বিখ্যাত, ভাৰত বিখ্যাত বা পৃথিৱী বিখ্যাত সাহিত্য ৰচনা কৰি নিজৰ তথা দেশৰ নাম ৰাখিবলৈও সক্ষম হ'ব ।

বিশাল মিশ্ৰ
চতুৰ্থ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

# শিক্ষা আৰু আমাৰ সমাজব্যৱস্থা



দুহেজাৰ বৰ্ষৰ প্ৰাৰম্ভিক কালছোৱাত ৰাষ্ট্ৰসংঘৰ ইউনেস্ক' সংস্হাই Dallord Committee ৰ পৰামৰ্শ অনুসৰি একৈশ শতিকাৰ শিক্ষা ব্যৱস্হাৰ চাৰিটা প্ৰধান লক্ষ্য নিৰ্দ্ধাৰণ কৰি দিছে; সেয়া হ'ল-

১) Learning to Know
২) Learning to do
৩) Learning to live together
৪) Learning to be.

এই লক্ষ্য কেইটাৰ বিষয়ে শিক্ষাৰ লগত জড়িত প্ৰত্যেকজন ব্যক্তিয়ে জনা উচিত আৰু কিদৰেনো লক্ষ্য সাধন হ'ব তাৰ বাবে কাম কৰা উচিত।

**(১) জনাৰ বাবে শিক্ষা (Learning to Know)**: শিক্ষাৰ প্ৰথম লক্ষ্যই হ'ল, ছাত্ৰ-ছাত্ৰীসকলক নিত্য-নতুন জ্ঞানৰ বিষয়ে জানিবলৈ আগ্ৰহী কৰাৰ ওপৰত গুৰুত্ব প্ৰদান। এই লক্ষ্যই কোনো এক বিশেষ বিষয় বা ফেকাল্টিৰ নিৰ্দেশনা নিদি কলা, বাণিজ্য, বিজ্ঞান, দৰ্শন, ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, প্ৰযুক্তিবিদ্যা, চিকিৎসা বিজ্ঞান, সমাজ বিজ্ঞান, নৃ-বিজ্ঞান, নৈতিক শিক্ষা আদিকে ধৰি শিক্ষাৰ সকলো দিশ সামৰি পেলাইছে। এনে শিক্ষা ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰিবলৈ যাওঁতে শিক্ষাদান কৰা শিক্ষকসকলো আপোন আপোন ক্ষেত্ৰত একো একোজন সমল সমৃদ্ধ (Resourceful Person) ব্যক্তি হোৱাটো বাঞ্চনীয় । ছাত্ৰ-ছাত্ৰীৰ সুপ্ত বুদ্ধিমত্তাক জাগ্ৰত কৰিবলৈ বিভিন্ন পদ্ধতি প্ৰয়োগেৰে সিবিলাক বিষয়বস্তুৰ লগত চিনাকি কৰাই দিব লাগিব । আধুনিক প্ৰযুক্তিবিদ্যাৰ ধামখুমীয়াৰ দিনত ছাত্ৰ-ছাত্ৰীয়ে বহু বিষয়ৰ জ্ঞান আহৰণ কৰাটো বাধ্যতামূলক হৈ পৰিছে।

**(২) কৰ্মৰ বাবে শিক্ষা (Learning to do)**: জীৱন-জীৱিকাৰ কাৰণে মানুহে যিকোনো কাম কৰিবলৈ কুণ্ঠাবোধ কৰাটো অনুচিত। "চৰাই এটাইয়ো খুচৰিলেহে খাবলৈ পায়" – এই কথা সৰ্বদাই মনত ৰখা উচিত। শাৰীৰিক, মানসিক আৰু বৌদ্ধিক দিশৰ প্ৰয়োগেৰে উপাৰ্যনৰ বিভিন্ন দিশত মনোনিৱেশে কৰিলেহে পেটৰ ভাত মুঠি ওলাব। এনে কৰিবলৈ যাওঁতে কিছুমান বৃত্তিৰ জ্ঞান বিশেষজ্ঞসকলৰ পৰা আহৰণ কৰিব লাগিব। কামৰ সৰু-বৰ নাই। বিদ্যা অৰ্থ উপাৰ্জ্জনৰ আহিলা নহ'লে; তেনে বিদ্যা অসাৰ গণ্য হ'ব। অসমৰ জনসংখ্যাৰ ব্যৱহাৰিক চাহিদা অনুপাতে এইকেইবিধ দ্ৰব্যৰ যোগান ধৰিবলৈ কিমান উৎপাদনৰ আৱশ্যক আৰু তাৰ বাবে লাখ টকাৰ মূলধনৰ আৱশ্যক হ'ব। কিন্তু বজাৰত এই অপৰিহাৰ্য সামগ্ৰীয়ে উৎপাদনকাৰীক যথেষ্ট ৰূপত আৰ্থিকভাৱে লাভৱান কৰিব। তাৰ বাবে কাৰিকৰী প্ৰশিক্ষণ আৰু মূলধন খটুৱাই মনপুতি উদ্যোগ পৰিচালনা কৰিব পাৰিব লাগিব। বৃত্তিমুখী শিক্ষাৰ যি শ্লোগানৰ কথা চৰকাৰে চিঞৰি আছে; আন্তৰিকতা শূণ্য মনোভাৱৰ বাবেই ই সম্ভৱ হৈ উঠা নাই। "সৰ্বে ভদ্ৰাণি পশ্যন্তু" – উপনিষদৰ এই বাণীৰ সাৰমৰ্ম অসমীয়া সমাজে উপলব্ধি কৰিব পৰা নাই। এইক্ষেত্ৰত Education for

Productivityৰ গুৰুত্ব আনুষ্ঠানিক পাঠদানতে ছাত্ৰ-ছাত্ৰীক দিব পৰা যায়। 
পুথিগত বিদ্যাকে সাৰথি বুলি নাভাবি, লব্ধ জ্ঞানৰ জৰিয়তে কৰ্ম্মসংস্কৃতি গঢ়ি তুলি শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ লগতে অৰ্থ উপাৰ্জ্জনৰ লক্ষ্যও এই লক্ষ্যই নিৰ্দেশনা আগবঢ়াইছে। কৰ্মৰ বাবে শিক্ষা লোৱা লক্ষ্যটোৱে কিতাপ সৰ্বস্বতা পৰিহাৰ কৰি প্ৰায়োগিক জ্ঞান আৰু কৰ্মেৰে অৰ্থ উপাৰ্জ্জনৰ লগতে বিমল আনন্দ লাভ কৰাৰো নিৰ্দেশনা আগবঢ়াইছে।

**(৩) একেলগে বাস কৰাৰ শিক্ষা (Learning to live together)**: মানুহ সমাজপ্ৰিয় জীৱ। সমাজ পাতি বসবাস কৰাৰ শিক্ষা প্ৰদান অত্যন্ত গুৰুত্বপূৰ্ণ। ছাত্ৰ আৰু শিক্ষক উভয়ে একোখন সমাজৰ অপৰিহাৰ্য আৰু অবিচ্ছেদ্য অঙ্গ স্বৰূপ। সমাজ অবিহনে ব্যক্তি অকলশৰীয়া। মনৰ ভাবৰাশি প্ৰকাশ কৰিবলৈ, আনন্দ আৰু বিষাদৰ অংশীদাৰ হ'বলৈ, কৃতকৰ্মৰ স্বীকৃতি পাবলৈ, একাকীত্ব দূৰ কৰি জীয়াই থকাৰ সাহস অৰ্জন কৰিবলৈ হ'লে, এখন সমাজৰ নিতান্তই প্ৰয়োজন হ'ব। পিতৃ-মাতৃ, ল'ৰা-ছোৱালীকলৈয়ে এটি পৰিয়াল হয়। ভালেসংখ্যক পৰিয়ালৰ সমষ্টিৰে একোখন গাঁও। সেই গাঁৱৰ সমূহ মুনিহ-তিৰোতা মিলিয়ে এখন সমাজ হয়। এজন ব্যক্তিয়ে তেওঁ বসবাস কৰা সমাজখনতে বন্ধু-বান্ধৱ, প্ৰেম-প্ৰীতি, দয়া-মায়া আৰু সফলতা-বিফলতা অনুভৱৰ এখন ক্ষেত্ৰ বিচাৰি পাব। সমাজৰ এই স্বৰূপটো গাঁৱৰ পৰা জিলালৈ, জিলাৰ পৰা ৰাজ্যলৈ, ৰাজ্যৰ পৰা দেশলৈ আৰু দেশৰ পৰা মহাদেশলৈ বিস্তৃত হৈ পৰিব। ছাত্ৰ-ছাত্ৰী সকলো যে সমাজৰে অঙ্গ এই কথা শ্ৰেণীত শিক্ষকেই শিকাব লাগিব। লগতে যিখন সমাজত থাকে, সেই সমাজৰ আচাৰ-অনুষ্ঠান, ৰীতি-নীতিৰ প্ৰতি আনুগত্য প্ৰকাশৰ শিক্ষাও প্ৰদান কৰিব লাগিব। মানুহৰ সমষ্টিয়ে যেতিয়া সমাজ, সেই সমাজত বৰ্তি থাকিবলৈ নিজক খাপ খুৱাই চলাৰ শিক্ষা প্ৰদান কৰিব লাগিব। জ্যেষ্ঠজনক সন্মান, কনিষ্ঠজনক মৰম-স্নেহ কৰাৰ শিক্ষাও দিব লাগিব। সমাজৰ সকলোকে আপোন বুলি ভাবিবলৈ কৰা জ্ঞান প্ৰদানে, পিছলৈ জীৱনকালত অন্তৰত ভাতৃত্ববোধৰ জন্ম দিব। এই অনুক্ৰমে বিশ্বৰ বিভিন্ন মনুষ্যৰ প্ৰজাতিৰ লগত সহযোগিতা, সহমৰ্ম্মিতা আৰু মনৰ ভাৱ বিনিময়ৰ পথ প্ৰশস্ত কৰি তুলিব। এই ক্ষেত্ৰত সহনশীলতা (Toleration) হ'ব সৰ্বোৎকৃষ্ট উপাদান। ভাষিক, ধৰ্মীয়, সাম্প্ৰদায়িক, ৰাজনৈতিক আদি দিশৰ সহনশীলতাই একো একোজন মানুহক পূৰ্ণাংগ মানৱ ৰূপে গঢ় দিয়াত ইন্ধন যোগাব। এনে ৰূপ গুণৰ অধিকাৰীজন বিশ্বৰ আপোন ৰূপে গণ্য হ'ব। আধুনিক শিক্ষাতত্ত্বত Education for National and International Understandingৰ ওপৰত আৰোপ কৰা প্ৰাধান্য উল্লেখযোগ্য।

**(৪) কিবা হোৱাৰ শিক্ষা (Learning to be)**: শেহতীয়া শিক্ষাৰ লক্ষ্যটো হ'ল কিবা হোৱাৰ লক্ষ্য। এই লক্ষ্যৰ পৰিধি ব্যাপক। এই লক্ষ্যই ছাত্ৰ-ছাত্ৰীসকলক পোনপতীয়াকৈ কি হ'ব বিচৰা উচিত, সেই বিষয়ে একো নিৰ্দেশনা আগবঢ়োৱা নাই। মানুহৰ ৰুচি ভিন্ন ধৰণৰ। এই লক্ষ্যই মানুহৰ অভিৰুচি অনুযায়ী নিজে ভালপোৱা বৃত্তি বিচাৰি লোৱাৰ আৰু তাৰ জৰিয়তে সমাজত প্ৰতিষ্ঠিত হোৱাৰ বা স্বীকৃতি লাভ কৰাৰ

অথবা বাস্তৱত ৰূপায়ন কৰাৰ ইঙ্গিত বহন কৰিছে। এই লক্ষ্যই আজিকালিৰ ছাত্ৰ-ছাত্ৰীক তোমাৰ জীৱনৰ লক্ষ্য কি বুলি সুধিলে পোনচাটেই ডাক্তৰ, ইঞ্জিনিয়াৰ হোৱাৰ লক্ষ্য কথাকেই ক'ব। আজিৰ সমাজ ব্যৱস্থাত এই দুইবিধ বৃত্তিকেই সমাজে গুৰুত্ব দি আহিছে। এই দুবিধৰ বাহিৰেও অন্যান্য বৃত্তিৰেও যে ব্যক্তিয়ে সমাজৰ শীৰ্ষত আৰোহণ কৰিব পাৰে সেই কথা বুজিবলৈ নিবিচাৰে। ৰবীন্দ্ৰ নাথ ঠাকুৰ, সৰ্বপল্লী ৰাধাকৃষ্ণণ, কৃষ্ণকান্ত সন্দিকৈ ডাক্তৰ বা ইঞ্জিনিয়াৰ নাছিল। ধনতান্ত্ৰিক চিন্তা-চৰ্চাই মানুহক যান্ত্ৰিক কৰি তোলাৰ দিনত আদৰ্শৰ টোকোনা লক্ষ্যক কোনে গুৰুত্ব দিয়ে। ভাৰতবৰ্ষৰ উন্নয়নৰ পৰিকল্পনাৰ লগতে সমানে ফেৰ মাৰিব পৰা টাটা, বিৰলা, আম্বানীহঁতলৈ লক্ষ্য কৰিলেই বিষয়টি পৰিস্কাৰ হ'ব। বিশ্বৰ এগৰাকী স্বনামধন্য দাৰ্শনিক সৰ্বপল্লী ৰাধাকৃষ্ণণ এগৰাকী শিক্ষকহে আছিল।



ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছিল, "উচ্চতম শিক্ষা হ'ল সেয়া, যি আমাক কেৱল তথ্য নিদিয়ে, আমাৰ জীৱনৰ সকলো অস্তিত্বৰ সৈতে সদ্ভাৱ আনি দিয়ে।" বিগত বহু বছৰ ধৰি আমাৰ শিক্ষা ব্যৱস্থাত বৃহৎ ধৰণৰ পৰিৱৰ্তন হোৱা নাছিল। ফলস্বৰূপ আমাৰ সমাজৰ জিজ্ঞাসা আৰু কল্পনাক মূল্যবোধলৈ ৰূপান্তৰিত কৰাৰ বিপৰীতে প্ৰতিকৃতিতততে উৎসাহ যোগাইছিল। কেতিয়াবা ডাক্তৰ হোৱাৰ বাবে দৌৰ, কেতিয়াবা ইঞ্জিনিয়াৰ হোৱাৰ বাবে দৌৰ আৰু কেতিয়াবা উকীল হোৱাৰ বাবে দৌৰ। ছাত্ৰৰ নিজা ৰুচি, পছন্দ, ক্ষমতা আৰু চাহিদাসমূহক মেপিং নকৰাকে প্ৰবৃত্তিৰ পৰা শিক্ষা ব্যৱস্থাক বাহিৰ কৰি অনাৰ প্ৰয়োজন আছিল। যেতিয়ালৈকে আমাৰ শিক্ষাত আবেগ নাথাকে, শিক্ষাৰ দৰ্শন নাথাকে, শিক্ষাৰ উদ্দেশ্য নাথাকে, তেতিয়ালৈকে আমাৰ ছাত্ৰসকলৰ মাজত, আমাৰ যুৱ সম্প্ৰদায়ৰ মাজত জটিল ভাৱনা আৰু উদ্ভাৱনী ভাৱনা কিদৰে বিকশিত হ'ব! শিক্ষাই শক্তি। প্ৰতিজন ব্যক্তি তথা প্ৰতিখন দেশ আগুৱাই যোৱাত শিক্ষাই অপৰিসীম গুৰুত্ব বহন কৰে। শিক্ষা হৈছে জীৱনৰ চালিকা শক্তি। শিক্ষাই মানুহৰ জীৱনৰ দিক নিৰ্ণায়কৰ ভূমিকা পালন কৰে। প্ৰতিখন দেশে নিজ নিজ দেশৰ উন্নতিৰ বাবে এক নিৰ্দিষ্ট শিক্ষানীতি গ্ৰহণ কৰে। আমাৰ দেশ ভাৰতেও স্বাধীনতাৰ পাছৰে পৰাই "ৰাষ্ট্ৰীয় শিক্ষা নীতি" অভিধাৰে নিৰ্দিষ্ট কিছুমান শিক্ষানীতি গ্ৰহণ কৰি আহিছে। আৰু প্ৰয়োজনসাপেক্ষে সময়ে সময়ে ভাৰতৰ "ৰাষ্ট্ৰীয় শিক্ষা নীতি" সলনি হৈ আছে। ভাৰতৰ "ৰাষ্ট্ৰীয় শিক্ষা নীতি"য়ে সদায় এটা নিৰ্দিষ্ট জাতীয় পৰিচয় বৰ্তাই ৰাখিছে।

ভাৰতবৰ্ষৰ নতুন "ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০" ত যোৱা ২০২০ চনৰ ২৯ জুলাইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন ভাৰতৰ কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনায়। ভাৰতৰ এই নতুন "ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০"য়ে পূৰ্বৰ "ৰাষ্ট্ৰীয় শিক্ষা নীতি,১৯৮৬"ৰ স্থান ল'ব। এই নতুন "ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০"য়ে ভাৰতৰ গ্ৰাম্য আৰু চহৰাঞ্চল উভয়তে প্ৰাথমিক স্তৰৰ পৰা উচ্চ স্তৰলৈকে শিক্ষাক লগতে বহুমুখী শিক্ষাকো এক নতুন দৃষ্টিভংগীৰে বহল প্ৰেক্ষাপটত সামৰি ল'ব। এই নতুন "ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০"ৰ লক্ষ্য হৈছে ২০৪০ চনলৈ ভাৰতৰ বৰ্তমানৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন সাধন কৰি

এক নতুন ৰূপ তথা গাঁথনি প্ৰদান কৰা।এই শিক্ষানীতিত সন্নিৱিষ্ট মুখ্য প্ৰস্তাৱসমূহ সংক্ষেপে তলত উপস্থাপন কৰা হ'ল। 

**বিদ্যালয়ৰ শিক্ষা :**

- ২০৩০ চনৰ ভিতৰত বিদ্যালয় শিক্ষাত ১০০% মুঠ নামভৰ্তি অনুপাত (জিইআৰ)ৰ সৈতে প্ৰাক্-বিদ্যালয়ৰ পৰা মাধ্যমিক পৰ্যায়লৈকে শিক্ষাৰ সাৰ্বজনীনকৰণ।
- মুক্ত বিদ্যালয় ব্যৱস্থাৰ জৰিয়তে ২ কোটি স্কুলীয়া ছাত্ৰ-ছাত্ৰীক পুনৰ মূলসুঁতিলৈ অনা।
- বৰ্তমানৰ ১০+২ ব্যৱস্থাৰ ঠাইত ক্ৰমে ৩-৮, ৮-১১, ১১-১৪, আৰু ১৪-১৮ বছৰ বয়সৰ সৈতে মিল থকা নতুন ৫+৩+৩+৪ পাঠ্যক্ৰমৰ গাঁথনি স্থাপন কৰা হ'ব।
- ইয়াৰ দ্বাৰা ৩-৬ বছৰৰ অনাবৃত বয়সৰ গোটটোক বিদ্যালয়ৰ পাঠ্যক্ৰমৰ অধীনলৈ অনা হ'ব, যিটোৱে শিশুৰ মানসিক ক্ষমতাৰ বিকাশৰ বাবে গুৰুত্বপূৰ্ণ পৰ্যায় হিচাপে বিশ্বজুৰি স্বীকৃতি লাভ কৰিছে।
- ইয়াৰ উপৰিও ইয়াত ১২ বছৰৰ স্কুলীয়া শিক্ষাৰ লগতে তিনি বছৰৰ অংগনবাড়ী/ প্ৰি স্কুলিং থাকিব।
- দশম আৰু দ্বাদশ শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষা সহজ কৰি তুলিব, মুখস্থ কৰা তথ্যৰ পৰিৱৰ্তে মূল দক্ষতা পৰীক্ষা কৰিবলৈ, সকলো ছাত্ৰ-ছাত্ৰীয়ে দুবাৰকৈ পৰীক্ষা দিব পাৰিব।
- বিদ্যালয় শাসন সলনি হ'ব, নতুন স্বীকৃতিৰ কাঠামো আৰু ৰাজহুৱা আৰু ব্যক্তিগত বিদ্যালয় উভয়কে নিয়ন্ত্ৰণ কৰিবলৈ স্বতন্ত্ৰ কৰ্তৃপক্ষৰ সৈতে।
- মৌলিক সাক্ষৰতা আৰু সংখ্যাৰ ওপৰত গুৰুত্ব দিয়া, বিদ্যালয়ত শৈক্ষিক ধাৰা, পাঠ্যক্ৰমৰ বাহিৰৰ, বৃত্তিগত ধাৰাসমূহৰ মাজত কোনো কঠিন পৃথকীকৰণ নহয়।
- ষষ্ঠ শ্ৰেণীৰ পৰা আৰম্ভ হ'ব ইন্টাৰনশ্বিপৰ সৈতে বৃত্তিমূলক শিক্ষা।
- অন্ততঃ ৫ম শ্ৰেণীলৈকে মাতৃভাষা/আঞ্চলিক ভাষাত পাঠদান কৰা। কোনো ভাষা কোনো শিক্ষাৰ্থীৰ ওপৰত জাপি দিয়া নহ'ব।
- ৩৬০ ডিগ্ৰী সামগ্ৰিক প্ৰগ্ৰেছ কাৰ্ডৰ সৈতে মূল্যায়ন সংস্কাৰ, শিক্ষণ ফলাফল লাভৰ বাবে ছাত্ৰৰ অগ্ৰগতি অনুসৰণ কৰা ।
- শিক্ষক শিক্ষাৰ বাবে এক নতুন আৰু ব্যাপক ৰাষ্ট্ৰীয় পাঠ্যক্ৰম কাঠামো (এনচিএফটিই) ২০২১, ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ (এনচিইআৰটি)ৰ সৈতে আলোচনা কৰি শিক্ষক শিক্ষাৰ বাবে ৰাষ্ট্ৰীয় পৰিষদে (এনচিটিই) প্ৰস্তুত কৰিব।
- ২০৩০ চনৰ ভিতৰত শিক্ষকতাৰ বাবে নূন্যতম ডিগ্ৰী অৰ্হতা হ'ব ৪ বছৰীয়া সংহত বি.এড. ডিগ্ৰী ।

**উচ্চ শিক্ষা :**

- ২০৩৫ চনৰ ভিতৰত উচ্চ শিক্ষাত মুঠ নামভৰ্তি অনুপাত ৫০% লৈ বৃদ্ধি কৰা হ'ব।লগতে উচ্চ শিক্ষাত ৩.৫ কোটি আসন সংযোজন কৰা হ'ব।
- উচ্চ শিক্ষাত বৰ্তমান মুঠ নামভৰ্তি অনুপাত (GER) ২৬.৩%।
- নমনীয় পাঠ্যক্ৰমৰ সৈতে সামগ্ৰিক স্নাতক শিক্ষা ৩ বা ৪ বছৰৰ হ'ব পাৰে আৰু এই সময়ছোৱাৰ ভিতৰত একাধিক প্ৰস্থান বিকল্প আৰু উপযুক্ত প্ৰমাণপত্ৰ থাকিব পাৰে।
- এম ফিল পাঠ্যক্ৰম বন্ধ কৰি স্নাতক, স্নাতকোত্তৰ আৰু পি এইচ ডি পৰ্যায়ৰ সকলো পাঠ্যক্ৰম এতিয়া আন্তঃশাখাৰ হ'ব।
- ক্ৰেডিট স্থানান্তৰৰ সুবিধাৰ বাবে গঠন কৰা হ'ব একাডেমিক বেংক অৱ ক্ৰেডিট।
- আই আই টি, আই আই এমৰ সমতুল্য বহুবিষয়ক শিক্ষা আৰু গৱেষণা বিশ্ববিদ্যালয় (এম ই আৰ ইউ) দেশৰ বিশ্বব্যাপী মানদণ্ডৰ শ্ৰেষ্ঠ বহুবিষয়ক শিক্ষাৰ আৰ্হি হিচাপে স্থাপন কৰা হ'ব।
- ৰাষ্ট্ৰীয় গৱেষণা ন্যাসক এক শক্তিশালী গৱেষণা সংস্কৃতিৰ লালন-পালন আৰু সমগ্ৰ উচ্চ শিক্ষাত গৱেষণা ক্ষমতা গঢ়ি তোলাৰ বাবে এক শীৰ্ষ সংস্থা হিচাপে গঠন কৰা হ'ব।
- চিকিৎসা আৰু আইনী শিক্ষা বাদ দি সমগ্ৰ উচ্চ শিক্ষাৰ বাবে একক ছাতিৰ সংস্থা হিচাপে ভাৰতীয় উচ্চ শিক্ষা আয়োগ গঠন কৰা হ'ব। ৰাজহুৱা আৰু ব্যক্তিগত উচ্চ শিক্ষানুষ্ঠানসমূহ নিয়ন্ত্ৰণ, স্বীকৃতি আৰু শৈক্ষিক মানদণ্ডৰ বাবে একেটা নীতিৰ দ্বাৰা পৰিচালিত হ'ব। লগতে, এইচ ই চি আইৰ চাৰিটা স্বতন্ত্ৰ উলম্ব হ'ব যথা,

  I. ৰাষ্ট্ৰীয় উচ্চ শিক্ষা নিয়ন্ত্ৰণ পৰিষদ (এন এইচ ই আৰ চি) নিয়ন্ত্ৰণৰ বাবে,
  II. মান নিৰ্ধাৰণৰ বাবে সাধাৰণ শিক্ষা পৰিষদ (জিইচি),
  III. উচ্চ শিক্ষা অনুদান পৰিষদ (HEGC)ৰ বাবে পুঁজিৰ বাবে,
  IV.স্বীকৃতিৰ বাবে ৰাষ্ট্ৰীয় স্বীকৃতি পৰিষদ (এন এ চি)।
- ১৫ বছৰৰ পাছত মহাবিদ্যালয়সমূহৰ সংযুক্ততা পৰ্যায়ক্ৰমে বন্ধ কৰা হ'ব আৰু মহাবিদ্যালয়সমূহক গ্ৰেডেড স্বায়ত্তশাসন প্ৰদানৰ বাবে পৰ্যায়ক্ৰমে ব্যৱস্থা স্থাপন কৰা হ'ব।
- এটা সময়ৰ ভিতৰত প্ৰতিখন কলেজেই হয় স্বায়ত্তশাসিত ডিগ্ৰী প্ৰদানকাৰী মহাবিদ্যালয়, নহয় বিশ্ববিদ্যালয়ৰ গঠনমূলক মহাবিদ্যালয়লৈ বিকশিত হোৱাৰ আশা কৰা হয়।

**ইয়াৰ উপৰিও :**

- শিক্ষণ, মূল্যায়ন, পৰিকল্পনা, প্ৰশাসন বৃদ্ধিৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰৰ ওপৰত মুক্তভাৱে ধাৰণা বিনিময়ৰ বাবে এক মঞ্চ প্ৰদান কৰিবলৈ ৰাষ্ট্ৰীয় শৈক্ষিক প্ৰযুক্তি মঞ্চ (NETF) নামৰ এটা স্বায়ত্তশাসিত সংস্থা গঠন কৰা হ'ব।
- ৰাষ্ট্ৰীয় মূল্যায়ন কেন্দ্ৰ- ছাত্ৰ-ছাত্ৰীৰ মূল্যায়নৰ বাবে 'পাৰাখ' গঠন কৰা হৈছে।

- ইয়াৰ উপৰিও বিদেশী বিশ্ববিদ্যালয়সমূহে ভাৰতত কেম্পাছ স্থাপনৰ পথ প্ৰশস্ত কৰে।
- ইয়াত বঞ্চিত অঞ্চল আৰু গোটৰ বাবে লিংগ অন্তৰ্ভুক্তি পুঁজি, বিশেষ শিক্ষা মণ্ডল স্থাপন কৰাত গুৰুত্ব দিয়া হৈছে।
- নেচনেল ইনষ্টিটিউট ফৰ পালি, পাৰ্চী আৰু প্ৰাকৃত, ইণ্ডিয়ান ইনষ্টিটিউট অৱ ট্ৰেন্সলেচন এণ্ড ইন্টাৰপ্ৰিটেচন স্থাপন হ'ব।
- ইয়াৰ উপৰিও শিক্ষা খণ্ডত ৰাজহুৱা বিনিয়োগ বৃদ্ধি কৰি জিডিপিৰ ৬% সোনকালে পোৱাৰ লক্ষ্য লোৱা হৈছে।
- বৰ্তমান ভাৰতে মুঠ জিডিপিৰ প্ৰায় ৪.৬ % শিক্ষাৰ বাবে ব্যয় কৰে।
- শিক্ষাক সাৰ্বজনীন কৰি তুলিবলৈ, নিৰক্ষৰতা দূৰ কৰিবলৈ, প্ৰযুক্তি বিদ্যাৰ জ্ঞান দিবলৈ – চমুকৈ শিক্ষাৰ মানদণ্ড ৰক্ষা কৰা আৰু শিক্ষা সম্প্ৰসাৰণৰ বিভিন্ন শ্লোগান দি চৰকাৰে ভালেমান আঁচনি গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। ডি পি ই পি, সৰ্বশিক্ষা মিশ্যন আদি প্ৰৱৰ্ত্তন কৰি কোটি কোটি টকা শ্ৰাদ্ধ কৰাৰ বাতৰি কাকতে-পত্ৰে পঢ়িবলৈ পোৱা গৈছে। পিছে এডিঙি পানীত ডুবি থাকিও পানী খাব নোপোৱা লোকৰ দৰে – আঁচনিৰ হেঁচাত কঁকাল দাঙিব নোৱাৰা অৱস্থা এটাই শিক্ষা ব্যৱস্থাত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। শিক্ষাৰ ক্ষেত্ৰত নেতিবাচক প্ৰৱণতা ৰাজ্যখনৰ বাবে মঙ্গলকাৰকতো নহয়েই; এনে ব্যৱস্থা চলি থাকিলে অসমৰ শিক্ষা ব্যৱস্থাই কি কদৰ্য ৰূপ লয় তাক নেদেখাজনেহে জানিব। চকিদাৰ-পিয়নৰ পৰা শীৰ্ষ পৰ্যায়ৰ শিক্ষকলৈকে নিযুক্তি-বদলিৰ ক্ষেত্ৰত ৰাজনৈতিক হস্তক্ষেপ, দলীয় স্বাৰ্থ আৰু উৎকোচৰ হাতোৰাই শিক্ষাৰ মানদণ্ড দিনে দিনে নিম্নগামী কৰাত লাগিছে। একেদৰে পৰিদৰ্শকৰ কাৰ্যালয়, শিক্ষা সঞ্চালকালয় আদিতো পুঠি-খলিহনাৰ পৰা ৰৌ-বৰালিয়েও জাল পাতি শিক্ষক-কৰ্মচাৰীক নগুৰ-নাগতি কৰাৰ অলেখ খবৰ আছে। উচ্চপদস্থ শিক্ষা বিষয়া, বিদ্যালয় প্ৰধান আদিৰ ধন আত্মসাতৰ কাহিনী, নিলম্বনৰ বাতৰি, চৰকাৰী আদেশ উলঙ্ঘাৰ খবৰে শিক্ষা বিভাগৰ ফোঁপোলা স্বৰূপ উদঙাই দেখুৱাইছে। শিক্ষামন্ত্ৰীৰ চাফাই অভিযানৰ বাঢ়নিডাল বুটী হোৱাৰ খবৰে – যিটো শিক্ষামন্ত্ৰীয়ে নিজেই স্বীকাৰ কৰিছে – এনে খবৰে চিন্তাশীল মহলক হতাশ কৰিছে। শিক্ষা ব্যৱস্থাত চলি থকা দূৰ্নীতি ভ্ৰষ্টাচাৰ দূৰ কৰিব নোৱাৰিলে সংহত আৰু ৰুচিবান সমাজ এখন পোৱাটো কঠিন হ'ব; লগতে আহি থকা পিৰিচসমূহক ফ্ৰেঙ্কেষ্টাইন হোৱাত বোধকৰোঁ বাধা দিব পৰা নেযাব। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ, জনমত সৃষ্টি কৰাৰ কাম শিক্ষকসকলে কৰিব পাৰে। কিয়নো শিক্ষকসকল এতিয়াও সমাজত এৰাপৰলীয়া ব্যক্তি হৈ পৰাগৈ নাই লগতে চৰকাৰৰ সদিচ্ছাও থাকিব।

✍ সমুদ্ৰ বৈশ্য
ষষ্ঠ ষান্মাসিক,পদাৰ্থ বিজ্ঞান বিভাগ,
নলবাৰী কলেজ, নলবাৰী

# এনাজৰী

মোৰ মৰমৰ আইতাজনীৰ নাম আছিল ৰেৱতী। দেউতাৰ মাহীয়েক। কিন্তু আইতা হৈছিল দেউতাৰ মা। নিজৰ জীৱনটো ভালকৈ উপলব্ধি কৰি 'বিয়া' শব্দৰ অৰ্থ নুবুজোঁতেই আইতাৰ বিয়া হৈছিল।

বিয়া হোৱাৰ কিছুবছৰ পাছত আইতা এটি ল'ৰা সন্তানৰ মাতৃ হৈছিল। কিন্তু এমাহৰ পিছতে নৰিয়াত পৰি ল'ৰাটো মৰি থাকিল। সেইকালত চিকিৎসাও উন্নত নাছিল। গাঁৱলীয়া বেজৰ দৰৱ দিছিল যিয়ে কোনো ধৰণৰ কাম নিদিলে। পুত্ৰ শোকতকৈ হেনো ডাঙৰ শোক পৃথিৱীত একো নাই। পুত্ৰৰ শোকত হেনো আইতাই বৰ শোক পালে। পুত্ৰ শোক সহিব নোৱাৰি আইতা এদিন মৃত্যু মুখত পৰিল। তেতিয়া হেনো দেউতাৰ বয়স ৪ বছৰ আৰু খুৰাৰ ২ বছৰ আছিল। মাহী আৰু মাৰ মাজত পাৰ্থক্য খুব কম এয়া ৰেৱতী আইতাই প্ৰমাণ কৰিলে। ৰেৱতী আইতাই মৰমেৰে দেউতা আৰু খুৰাক ডাঙৰ দীঘল কৰিলে। যিজনী আইতাই জন্ম নিদিয়াকৈ মাতৃস্নেহেৰে দেউতাহঁতক ডাঙৰ কৰিলে সেই মহীয়সী আইতাৰ কথা ভাবিলেই মনটো ভক্তি আৰু স্নেহেৰে ভৰি পৰে।

সুখে - দুখে সময়বোৰ ক্ষিপ্ৰগতিত আগবাঢ়ি গৈ থাকিল। এদিন গাঁওখনত মহামাৰীয়ে দেখা দিলে আৰু সেই মহামাৰীত গাঁওখনৰ বহু মানুহৰ লগতে ককাহঁত নিয়তিৰ নিষ্ঠুৰ আঘাতৰ বলি হ'বলগীয়া হ'ল। আইতাই দুখত ভাগি পৰিল।

নিয়তিৰ নিষ্ঠুৰতাই আইতাক অকলশৰীয়া কৰিলে। মুখত সদাই হাঁহি থকা আইতাৰ মুখৰ হাঁহি হেৰাই গ'ল। নানা দুখ কষ্ট ঘাট- প্ৰতিঘাটৰ মাজেৰে দিনবোৰ পাৰ হ'ল আৰু অকলশৰীয়া আইতাৰ একমাত্ৰ সাৰথি হৈ পৰিল দেউতা।

আইতাৰ সহজ -সৰল গুণটোৰ বাবে ওচৰ - চুবুৰীয়া মানুহে আইতাক বৰ ভাল পাইছিল। গাঁওৰ সকলো মানুহক বিপদত সহায় কৰিছিল আইতাই। যিয়ে যেনেভাৱে বিচাৰিছিল তেনেকৈয়ে আইতাই সকলোকে সহায় কৰিছিল। সকলো কাম- কাজত আমাৰ মৰমৰ আইতা বৰ পাকৈত আছিল। নিতৌ ৰান্ধি আনক খুৱাই তেওঁ বৰ ভাল পাইছিল। আইতাই ৰন্ধা মানিমুনি, ভেদাইলতা, নৰসিংহৰে মাছ আদিৰ কথা মোৰ আজিও মনত পৰে। সৰিয়হ বতাৰে সৈতে কচুপাত পাতত দিয়া, কলা কচুৰ নাৰিকলৰ সৈতে ৰন্ধা ভাজিখন, মাটি মাহৰ দাইলেৰে ৰন্ধা ঔ টেঙা, বাঁহগাজৰ টেঙা জোলখন আৰু ক'ত যে কিমান জুতি লগা সুস্বাদু খাদ্য বনাইছিল আইতাই, যিবোৰৰ কথা ভাবিলে আজিও জিভাৰে পানী ওলাই আহে। বিভিন্ন ধৰণৰ লাৰু, পিঠা- পনা বনাই আনক খুৱাই খুউব তৃপ্তি পাইছিল আইতাই।

এনেহেন দৰদী আইতাজনী আজি আমাৰ মাজৰ পৰা আঁতৰি গ'ল। ভাবিলেই দুখ লাগে। নিজৰ সকলো শেষ হৈ যোৱাৰ পিছতো আইতাই আমাক লৈয়ে জীৱনৰ ৰঙীন সপোন ৰচনা কৰিছিল। এইজনী মৰমৰ আইতা আৰু নাই। যিজনী আইতাই

চেনেহৰ এনাজৰীৰে সকলোকে একেলগে বান্ধি ৰাখিছিল নিশব্দে শুই থকা আইতাৰ নশ্বৰ দেহটো শেষবাৰৰ বাবে চাই পঠিয়ালোঁ। সকলো শেষ হৈ গ'ল। বন্ধ দিয়াৰ লগে লগে আইতাক লগ পোৱাৰ হেঁপাহ, গধূলিপৰত আইতাৰ কোচত মূৰ থৈ সাধুশুনা , আইতাৰ লগত কৰা ধেমালি, মই কৰা দুষ্টামিবোৰৰ পৰা বাচিবলৈ আইতাৰ পিছফালে লুকোৱা, আইতাৰ আঁচলত মূৰ থৈ শোৱা এই সকলোবোৰ কথা ভাৱি মনটো দুখেৰে ভৰি পৰিল। আৰু সহ্য কৰিব নোৱাৰি হুক হুকাই কান্দি পেলালোঁ। হঠাৎ 'মা'ৰ মাতষাৰ শুনিলোঁ --'নাকান্দিবি মাতু কান্দিলে জানো আইতা উভতি আহিব'। মৃত্যুক কোনেও ধৰি ৰাখিব নোৱাৰে। হঠাৎ মোৰ আইতাই কোৱা কথাখিনি মনত পৰিল --'মই তইঁতক এৰি গুচি গ'লে তইঁতে ভাগি নপৰিবি। হাঁহি হাঁহি বিদায় দিবি মোক। তইঁতক হাঁহি থকা দেখিলেহে মোৰ আত্মাই শান্তি পাব। আইতাৰ কথাখিনি মনত কৰি চকুপানী মচিলোঁ আৰু আইতাৰ আত্মাই চিৰশান্তি লাভ কৰক বুলি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। আৰু ভবিষ্যতে আইতাই দিয়া উপদেশবোৰ, দিহাপৰামৰ্শবোৰ মানি জীৱনত আগুৱাই গৈ সমাজৰ এজন সৎ ব্যক্তি হোৱাৰ চেষ্টা কৰিম।

জয়শ্ৰী কলিতা
দ্বিতীয় ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

ক্ৰোধ মানুহৰ প্ৰধান শত্ৰু। ক্ৰোধ কৰা মানুহে যুদ্ধৰ বাহিৰে অন্য কামত ভাগ লব নোৱাৰে।

-বাইবেল

# কোলাহল

কেৰেক্.... কেৰেক্.... কেৰেক্
অনিচ্ছা সত্ত্বেও বিৰক্তিকৰ শব্দটোকে লগৰী কৰি লৈ অনুপম ৰাতিপুৱাতে কামলৈ ওলাল। ৰাস্তাৰে যাওঁতে বাটৰ মানুহবোৰে তালৈ ঘূৰি ঘূৰি চোৱা দেখি তাৰ অস্বস্তি লাগিল। কিন্তু চেইন বক্সৰ শব্দটোৰ লগত সি কৰিবই বা কি! মানুহৰ আচহুৱা দৃষ্টিবোৰ আওকাণ কৰি ক'ৰবাত মেকানিক এজন পাই বুলি চকু দুটাৰে পিতপিতাই সি আগবাঢ়িল। মাজে মাজে কাষেৰে পাৰ হৈ যোৱা দুই এখন টেম্পৰ ঘৰ্ ঘৰ্ মাতে যেন তাক কিছু সকাহ দি যায় সেই বিৰক্তিকৰ শব্দটোৰ পৰা।

কিন্তু পুৰণা কলঘৰৰ মামৰে খোৱা যন্ত্ৰবোৰৰ দৰে তাৰ মনৰ কেৰ্ কেৰ্ মেৰ্ মেৰ্ বোৰক সকাহ দিব কিহে!?

প্ৰবাল শৰ্মা
দ্বিতীয় ষান্মাষিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

# ছানছেট অভাৰ দি হুগলী ৰিভাৰ

ছবিয়ে জনজীৱনৰ কথা কৈ যায়। ছবিৰ মাজেৰে এটা সময়ৰ আৰু কিছুমান সাধাৰণ মানুহে কেনেকৈ জীৱন কটায় তাৰ কথা আমি জানিব পাৰোঁ। ই আমাক জীৱনৰ বিষয়ে ভবাই তোলে। ছবিৰ যোগেদি বিভিন্ন কথা বতৰাৰ বিষয়ে জানিব পৰা যি উৎস সেয়া ঐতিহাসিক ভাবে মূল্যৱান। যেতিয়া মানুহে ফটোগ্ৰাফি আৱিষ্কাৰ কৰা নাছিল তেতিয়া ছবিৰ যোগেদি মানুহে অতীতৰ ঘটনাপ্ৰৱাহৰ বিষয়ে জানিব পাৰিছিল। ছবিয়ে মানুহৰ মনত কৰিছিল সঞ্চাৰ, বিপুল আনন্দ আৰু আবেগ। পৃথিৱীৰ বিভিন্ন অংশত কেনেদৰে সাধাৰণ মানুহে জীৱন নিৰ্বাহ কৰে, তাকে লৈ বিভিন্ন চিত্ৰকাৰে ছবি আঁকি আহিছে। এই ছবিবোৰৰ যোগেদি আমি অতীজৰ খণ্ডিত চিত্ৰবোৰৰ সৈতে পৰিচিত হ'ব পাৰোঁ।



যামিনি ৰয় এগৰাকী প্ৰখ্যাত ভাৰতীয় চিত্ৰকৰ। ভাৰতৰ বিভিন্ন থলুৱা বিষয়ক প্ৰাধান্য দি তেওঁ চিত্ৰ অংকন কৰাৰ সমান্তৰালকৈ ইউৰোপৰ প্ৰখ্যাত চিত্ৰকৰৰ সৃষ্টিৰ পৰাও চিত্ৰ সম্পৰ্কীয় জ্ঞান আহৰণ কৰিছিল। ভাৰতৰ চিত্ৰকলালৈ অভূতপূৰ্ব অৱদান আগবঢ়োৱা অৱনিন্দ্ৰনাথ ঠাকুৰৰ ছাত্ৰ আছিল তেওঁ। যামিনি ৰয়ে চিত্ৰকলাত তেওঁৰ

কেৰিয়াৰ আৰম্ভ কৰিছিল এগৰাকী প্ৰতিকৃতি অংকনকৰ্তা হিচাপে। ১৯২০ চনৰ পৰা প্ৰতিকৃতি অংকন এৰি নিজস্ব শৈলীৰে চিত্ৰ অংকন কৰিবলৈ লয়। বাংলা লোক পৰম্পৰাক ভিত্তি কৰি তেওঁ চিত্ৰ সমূহ অংকন কৰিবলৈ ধৰে। ৰয়ে তেওঁৰ জীৱনকালত সৰ্বমুঠ ২০ হাজাৰ পেইণ্টিং অংকন কৰিছিল। প্ৰতিদিনে ১০ খনকৈও অধিক অংকন কৰিছিল যাৰ বাবে তেওঁক আৰ্ট মেচিন বুলিও কোৱা হয়। তেওঁৰ ছবিৰ ধাৰণাসমূহ লক্ষ্য সদায়েই মধ্যবিত্ত শ্ৰেণীৰ লোক আছিল। মধ্যবিত্ত শ্ৰেণীৰ প্ৰতি সন্মান অক্ষুণ্ণ ৰাখি জটিল ধাৰণাসমূহ প্ৰকাশ কৰিছিল। ভাৰতৰ বাহিৰেও বিদেশত তেওঁৰ চিত্ৰ শিল্পই যথেষ্ট সমাদৰ পাইছিল। তেওঁৰ "মাদাৰ এণ্ড ছাইল্ড" গোপিনিজ আদি অতি জনপ্ৰিয় চিত্ৰ।

ছানচেট অভাৰ দি হুগলী ৰিভাৰ,যামিনী ৰয়ে অংকন কৰা এখন বহুল সমাদৃত চিত্ৰ। ৪০.৬ × ৫৫.২ ছে: মি: ৰ টেম্পৰা শৈলীৰ চিত্ৰখন ১৯৩০ চনত অংকন কৰা হৈছিল। হুগলী নদী পশ্চিমবঙ্গত অৱস্থিত । সূৰ্যাস্তৰ সময়ৰ নদীৰ অপাৰ্থিৱ সৌন্দৰ্য ৰ ক্ষেত্ৰত হুগলী নদী ব্যতিক্ৰম নহয় । হুগলী নৈ ৰ পানীত বিদায়ী বেলিৰ হেঙুলীয়া কিৰণে ৰহণ সনা দৃশ্য ছবিখনত দেখিবলৈ পোৱা গৈছে । নদীৰ যুঁৱলিত বান্ধি থোৱা নাও কেইখনটো হেঙুল বৰণে স্পৰ্শ কৰিছে। আকাশ আৰু নদীৰ অপূৰ্ব সৌন্দৰ্য প্ৰাণ পাই উঠিছে যামিনি ৰয়ৰ তুলিকাৰ পৰশত ।

শিল্পা কলিতা
ষষ্ঠ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

# দায়িত্ব

জিতেনে এখন সৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত শিক্ষকতা কৰে। আজি জিতেনৰ মনটো আনন্দত মতলীয়া হয় আছে কাৰণ আজি সি তাৰ প্ৰথম দৰমহা পাইছে। জিতেনে বহু দিনৰ পৰা পঢ়িবলৈ অপেক্ষা কৰি থকা উপন্যাস খন কিনিব বুলি ভাবি সি বিদ্যালয়ৰ পৰা ওলাই কিতাপৰ দোকান এখনত সোমাল। সি তাৰ অপেক্ষাৰত উপন্যাস খন হাতত তুলি লৈ দোকানী জনক বান্ধি দিবলৈ বুলি কবলৈ লওঁতেই তাৰ ৰাতিপুৱা মাকে কোৱা কথাশাৰীলৈ মনত পৰিল " বাবু দেখিছোঁ এ দেউতাৰে এইকেইদিন কাম বেমাৰত ভুগি থকাই কামলৈ যাব পৰা নাই আৰু যে ভৱিষ্যতে যাব পাৰিব সেইটো ও আশা নাই তই এতিয়াৰ পৰা ঘৰৰ দায়িত্ব লব লাগিব। এইখন ল, ডাক্তৰে লিখি দিয়া গোটেই ঔষধবোৰ আনিবই পৰা নাই, আজি যদি পাৰ কেইটামান লৈ আনিবি।"

দাদা এইখন থৈ দিব কাইলে নিম দিওক বুলি কৈ জিতেন দোকানৰ পৰা আঁতৰি আহিল।

ভাৰ্গৱ দাস
দ্বিতীয় ষান্মাষিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

# পাজী মে খেলেগা

আত্মবিশ্বাস, দৃঢ়তা, একাগ্রতা ,দুৰ্বাৰ হেপাহ থাকিলে জীৱনৰ সকলো বাধাই হাৰ মানি যায় মানুহৰ ওচৰত। তাৰে এটা উদাহৰণ আজি দাঙি ধৰিছোঁ আপোনালোকৰ আগত, আশাকৰোঁ নিশ্চয়কৈ ভাল পাব।

আমি সকলোৱে শচীন তেণ্ডুলকাৰৰ নাম শুনিছোঁ। শচীনৰ জীৱনৰ এটা কাহিনী অৱগত কৰিব বিছাৰিছোঁ আপোনালোকক।

চনটো আছিল ১৯৮৯। ভাৰত আৰু পাকিস্তানৰ মাজত চলি আছিল এটা টেষ্ট মেচৰ শৃংখলা।ভাৰত আৰু পাকিস্তান দুখন চিৰবৈৰী ৰাষ্ট্ৰ সেয়েহে দেশমাতৃৰ সন্মানৰ স্বাৰ্থত দুয়োখন দেশে পৰস্পৰৰ মাজত যিকোনো খেল হলেই জিকিবলৈ মৰণপন যুঁজ দিয়ে। যি কি নহওঁক। এই টেষ্ট শৃংখলাটো অনুষ্ঠিত হৈছিল পাকিস্তানত। কে শ্ৰীকান্তৰ নেতৃত্বত ভাৰতীয় দলটো ৪ খন টেষ্ট ভ্ৰমণৰ বাবে পাকিস্তান গৈছিল। প্ৰথম তিনিখন টেষ্ট 'ড্ৰ'ৰে সমাপ্তি ঘটিল।৪ৰ্থ খন তথা ট্ৰফী নিৰ্ধাৰণকাৰী মেটচ খন অনুষ্ঠিত হৈছিল পাকিস্তানৰ শিয়ালকোট ষ্টেডিয়ামত। শিয়ালকোটৰ যিখন পিটচ আছিল সেইখন আছিল সেউজীয়া ঘাঁহেৰে ভৰ্তি।অৰ্থাৎ গ্ৰাউণ্ড আৰু মেইন পিটচখন ভালদৰে ধৰিবই নোৱাৰি সেউজীয়াৰ বাবে। আমি প্ৰায় ভাগে (যিসকলে ক্ৰিকেট বুজি পায়) জ্ঞাত যে ঘাঁহ থকা পিটচ বেগী বলাৰৰ বাবে উপযোগী। আৰু সেইসময়ত বিশ্বৰ আটাইতকৈ বেগী বলাৰ কেইজন প্ৰায়খিনি পাকিস্তানৰেই আছিল উদাহৰণস্বৰূপে ,য়কাৰ য়ুনচ,ইমৰাণ খান,ওৱাচিম আকৰাম ইত্যাদি।

আমি জানো যে টেষ্ট মেটচ সাধাৰণতে ৫দিনৰ হয়। ৪ৰ্থখন টেষ্টৰও ৪দিন গ'ল।৪ৰ্থ দিনৰ অন্তত ভাৰতৰ স্ক'ৰ ২২-৪(২২ ৰাণত ৪টা উইকেট)। এতিয়া ৫ম দিনৰ দিনা ভাৰতে হাতত থকা ৬টা উইকেটেৰ হয় পাকিস্তানে বান্ধি দিয়া লক্ষ্য অতিক্ৰম কৰিব লাগিব নহয় মেটচখন ড্ৰ কৰাব লাগিব।সহজ ভাষাত 'ড্ৰ' কৰা মানে হাতত থকা ৬টা উইকেটেৰে ৫ম দিনৰ দিনা অল আউট নোহোৱাকৈ ৯০ অভাৰ বেটিং কৰিব লাগিব।

৪ৰ্থদিনৰ খেল শেষ হোৱাৰ পিছত ৰাতি পাকিস্তানৰ কেপ্টেইনে যিজন মেটচ কিউৰেটৰ থাকে(যিয়ে পিটচখন বনায়)তেওঁৰ ওচৰলৈ গ'ল আৰু ক'লে পিটচখনৰ পৰা যাতে এটা ঘাঁহও গুচোৱা নহয়। হিন্দুস্তানীসকলক আমি হৰুৱাবই লাগিব। পাকিস্তানক মেটচখন জিকিবলৈ তথা শৃংখলা দখল কৰিবলৈ এদিনত প্ৰয়োজন মাত্ৰ ৬টা উইকেটৰ যিটো সেই ঘাঁহেৰে পৰিপূৰ্ণ পিটচত পাকিস্তানৰ বেগী বলাৰসকলৰ বাবে আছিল এটি তেনেই সহজ কাম।

৫ম দিনৰ খেল আৰম্ভ হ'ল। ভাৰতৰ হৈ বেটিং কৰি আছে নৱজোৎ সিং সিদ্ধু

আৰু ৰবি শাস্ত্ৰীয়ে আৰু এনেকুৱা বেগত বলিং হৈ আছিল যে শাস্ত্ৰী আৰু সিদ্ধুৰ বেটৰ বাহিৰে বল ভৰি মুখ আদি সকলোতেই লাগি আছিল। নৱজোৎ সিং সিদ্ধুৰ তেতিয়া নতুনকৈ বিবাহ হৈছিল তেওঁ মনতে ভগৱানক প্ৰাৰ্থনা কৰি আছিল যে ভগৱান মোক আউট কৰাই দিয়া।মই মোৰ নতুন পত্নীক চাব বিছাৰোঁ। এনেতে শাস্ত্ৰী আউট হৈ গ'ল।তেওঁ দুখমনেৰে পেভিলিয়নলৈ গৈ আছিল তেতিয়া সিদ্ধুৱে শাস্ত্ৰীক সুধিলে-"তুমি কিয় দুখ কৰিছা? শাস্ত্ৰীয়ে উত্তৰ দিলে আউট হৈ গলো। তেতিয়া সিদ্ধুৱে শাস্ত্ৰীক ক'লে যে তোমাৰ দৰে লাকী মই নহলো। কাৰণ ১৫৫,১৬০ কি:মি: প্ৰতিঘণ্টাত বেগত বল আহি আছে আৰু বেটৰ বাহিৰে সকলোতে লাগি আছে ইয়াত আউট হোৱাটো সৌভাগ্যৰ কথা।তাৰ পিছত সিদ্ধুৱে দেখিলে শচীন তেণ্ডুলকাৰ বেটিং কৰিবলৈ আহি আছে তেতিয়া সিদ্ধুৰ মনত আনন্দৰ বন্যা জাগি উঠিল। তেওঁ মনতে ভাবিলে যে শচীন বাতচা এটা ই এটা বা দুটা বল খেলি আউট হ'ব তাৰ পিছত কুম্বলে চুম্বলে আহিব,এখন চাইকেলৰ ষ্টেন বাগৰিলে যেনেকৈ কাষত থকা বাকী চাইকেল বিলাকও পৰি যায় ঠিক তেনেদৰে বাকী সকলও আউট হৈ যাব। মই আধা ঘণ্টাৰ ভিতৰত ঘৰ পাম,মই মোৰ নতুন পত্নীক দেখিম।

তেতিয়া শচীনৰ বয়স মাত্ৰ চাৰে পোন্ধৰ বছৰ। শচীনে বেটিং কৰিব আহি প্ৰথম অভাৰতে মূখামুখি হ'ল ৰিভাৰ্চ ছুইংগৰ কিং বুলি যাক কোৱা হয় য়কাৰ য়ুনচ। য়কাৰ য়ুনচৰ প্ৰথম বাউন্সাৰ বলটো চিধাই গৈ শচীনৰ নাকত পৰিল। (তেতিয়া হেলমেট বিলাক খোলা আছিল)। লগে লগে শচীন মাটিত ধলি পৰিল। সিদ্ধুকে আদি কৰি পাকিস্তানৰ ১১জন খেলুৱৈ শচীনৰ কাষত ভৰি পৰিল। শচীনৰ নাকেৰে তেজ টোপ টোপকৈ বৈ আছে গোটেই টি-চাৰ্ট তেজেৰে ৰাঙলী। সিদ্ধুৱে ভাবিলে ই মৰিলেই চাগে কাৰণ ১৬০ কি:মি: বেগত অহা এটা ইটাৰ টুকুৰা সদৃশ বল মুখত পৰিলে কি অৱস্থা হব ১৫ বছৰীয়া লৰাটোৰ আমি সকলোৱে জানো।তাৰ পিছত পাকিস্তানৰ ডাক্টৰ আহি বৰফৰ টুকুৰা লগাই দিলে(তেতিয়া বেলেগ দ্ৰব্য পাতি নাছিল খেলত)। তাৰ পিছত ঘপকৈ শচীন থিয় হ'ল,নাকেৰে তেজ বৈ আছে। সিদ্ধুৱে শচীনক ক'লে- টেংলিয়া(সিদ্ধুৱে শচীনক এনেকৈ মাতিছিল) তই ৰিটায়াৰ্ট হাৰ্ট হৈ গুচি যা। কাৰণ সৰু ল'ৰা নাকেৰে তেজ ওলাই আছে কোনেও বেয়া নাপায় গুচি গলেও। তেতিয়া ১৫ বছৰীয়া শচীনে সিদ্ধুৰ ফালে চাই কৈছিল যে-"পাজী মে খেলেগা"(শচীন মাৰঠী আছিল সেইকাৰণে হিন্দী ভালকৈ কব নাজানিছিল)। তেতিয়া সিদ্ধুৱে ভাবিছিল হে ভগৱান ইয়াক আজি বচাই দিবা। তাৰ পিছৰতো বল য়ুনচৰ ১৫০ কি:মি: বেগত য়ৱকাৰ আৰু শচীনৰ ১৬০ কি:মি: বেগত বেটেৰে প্ৰত্যুত্তৰ। তেতিয়া য়ুনচ এ শচীনক অলপ বেলেগ দৃষ্টিৰে চালে,শচীনেও মূৰ থিয় কৰি য়ুনচৰ ফালে চাই চকুৰেই প্ৰত্যুত্তৰ দিলে। হাবিত সিংহক জোকাই লোৱাটো যেনেকুৱা কথা সেইদিনা সেই মেটচখনত য়কাৰ য়ুনচক জোকাই লোৱাটোও তাৰ ব্যতিক্ৰম নাছিল। এই দৃশ্য প্ৰত্যক্ষ কৰি সিদ্ধুৱে মনতে

ভয়ক বিদায় দি প্ৰতিজ্ঞাবদ্ধ হ'ল যে ১৫ বছৰীয়া লৰাটোৱে যদি দেশমাতৃৰ স্বাৰ্থত সৈনিক হৈ থিয় দিছে মোৰটো ৩টা শতকও আছে টেষ্ট মেটচত মই কিয় থমকি ৰম। সিদ্ধুই যেন একপ্ৰকাৰ সাহস পালে। আচৰিত কথা এইটোৱে যে সেইদিনা ১৫০,১৫৫কি:মি: বেগত অহা বলক প্ৰত্যাহ্বান জনাই আকৰাম য়ুনচক বেটেৰে তীব্ৰ প্ৰত্যুত্তৰ দি শচীন আৰু সিদ্ধু দুয়োজনেই গোটেই দিনটো বেটিং কৰি মেটচখন তথা শৃংখলাটো 'ড্ৰ' কৰাই দিবলৈ সক্ষম হয়। দিনটোৰ অন্তত সিদ্ধু ৯৭ ৰান নট আউট আৰু শচীন ৬৭ ৰানত নট আউট থাকিল। ইয়াত উল্লেখ কৰিব লাগিব যে ৪খন মেটচৰ শৃংখলাত প্ৰথমখনত শচীনে ০ আৰু ৭, দ্বিতীয়খনত ১২,তৃতীয়খনত টিমত খেলিবলৈ সুবিধা নাপালে আৰু চতুৰ্থখনত বীৰ সৈনিকৰ দৰে এটা নিৰ্ভীক ইনিংছ খেলিলে। এই ইনিংচটোৱে যেন শচীনৰ জীৱনৰ টাৰনিং পইণ্ট ৰূপে পৰিগণিত হৈছিল পিছলৈ। আৰু ভাৰতে পাকিস্তানৰ ভূমিত শচীন সিদ্ধুৰ ইনিংচৰ সহায়ত অপৰাজেয় হৈ থাকিবলৈ সক্ষম হৈছিল।

এই বাস্তৱ কাহিনীটোৰ পৰা শিকিবলগা কথা এইটোৱে যে- শচীনে যিদৰে আঘাত প্ৰাপ্ত হৈও মনৰ দৃঢ় বিশ্বাস তথা একাগ্ৰতাৰে নিজৰ লক্ষ্যপথত আগবাঢ়ি গৈ সফলতাৰ শীৰ্ষ বিন্দুত উপনীত হৈছিল ঠিক সেইদৰে আমিও জীৱনত অহা প্ৰতিটো বাধা বিঘিনিক জীৱনৰ এক উৎসাহ হিচাপে লৈ তথা নিজৰ ওপৰত গভীৰ বিশ্বাস তথা কঠোৰ পৰিশ্ৰম আৰু একাগ্ৰতাৰে জীৱনযুদ্ধত আগবাঢ়ি গ'লে পৃথিৱীত কোনো বাধা আমাৰ ওচৰত শক্তিশালী হিচাপে থিয় হ'ব নোৱাৰিব আৰু আমিও সফলতাৰ শীৰ্ষ স্থানত উপনীত হব পাৰিম।

(নৱজোৎ সিং সিদ্ধুৰ কথাৰ অসমীয়া অনুবাদেৰে)
ধন্যবাদ।

অলকেশ হালৈ
দ্বিতীয় ষান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

# বিজ্ঞানৰ কিছু শেহতীয়া খবৰ

**আপেক্ষিকতাবাদৰ সহায়ত বুধ গ্ৰহৰ কক্ষপথৰ নতুন গণনা** : পদাৰ্থবিদ ক্লিফৰ্ড উইলে আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ সহায়ত সূৰ্যৰ চাৰিওফালে থকা বুধ গ্ৰহৰ কক্ষপথৰ যৎসামান্য পৰিৱৰ্তন গণনা কৰি উলিয়াইছে। উইলৰ এই গণনাৰ সত্যাসত্য ধৰা পৰিব বুলি ভবা হৈছে ইউৰোপ আৰু জাপানৰ বুধ গ্ৰহলৈ ২০১৮ চনত পঠিয়াবলগীয়া Bepcolombo নামৰ মহাকাশযানৰ সফল উৎক্ষেপণৰ সহায়ত।

**ছুপাৰ আয়নিক বৰফ আৱিষ্কাৰ** : নেপচুন আৰু ইউৰেনাছ গ্ৰহৰ অন্তৰ্ভাগত সাধাৰণ বৰফতকৈ ৬০ গুণ টান এবিধ ছুপাৰ আয়নিক বৰফ থকা বুলি অনুমান কৰা হৈছিল। কিন্তু সকলোকে আচৰিত কৰি কেলিফ'ৰ্ণিয়াৰ ল'ৰেন্স লিভাৰম'ৰ নেছনেল লেৱৰেটৰিৰ এদল বিজ্ঞানীয়ে পৰীক্ষাগাৰতে অত্যাধিক চাপ আৰু লেজাৰ ৰশ্মি ব্যৱহাৰ কৰি হীৰা নিৰ্মিত সৰু পাত্ৰ এটিত অতিকে কম সময়ৰ বাবে স্থিতি লাভ কৰা এইবিধ বিশেষ বৰফ আৱিষ্কাৰ কৰিবলৈ সক্ষম হৈছে।এই বৰফত গোটা অৱস্থাত থকা অক্সিজেন ক্ৰিষ্টেলৰ মাজে মাজে আয়নিক হাইড্ৰ'জেন জাতীয় জুলীয়া পদাৰ্থৰ দৰে গতি কৰি থাকে।

**লেজাৰৰ সহায়ত দুটা পৰমাণুৰ মাজত বিক্ৰিয়া** : ছায়েন্স আলোচনীত প্ৰকাশ পোৱা এক গৱেষণা পত্ৰত হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ বিজ্ঞানীয়ে দাবী কৰা মতে লেজাৰ চেপেনাৰ সহায়ত ছ'ডিয়াম আৰু ছিজিয়ামৰ দৰে পৰমাণুৰ মাজত বান্ধনি সৃষ্টি কৰি অণু প্ৰস্তুত কৰা সম্ভৱ। সাধাৰণ ৰাসায়নিক বিক্ৰিয়াৰ পৰিৱৰ্তে লেজাৰ পদ্ধতিৰে এনেদৰে অণু সৃষ্টি এক যুগান্তকাৰী আৱিষ্কাৰ বুলি গণ্য কৰা হৈছে। ভৱিষ্যতে এই পদ্ধতিৰ সহায়ত অণু সৃষ্টিকাৰী পৰমাণুবোৰৰ গতিবিধি লক্ষ্য কৰি সিহঁতৰ মাজৰ সংঘৰ্ষ বা এটা অণুৱে বিশেষ পৰিৱেশত কেনেকুৱা আচৰণ কৰে আদি পৰিঘটনাবোৰ অধ্যয়ন কৰিব পৰা যাব।

**হাইড্ৰ'জেনক ধাতুলৈ ৰূপান্তৰ** : হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ বিজ্ঞানীসকলে প্ৰকাশ কৰা এটি তথ্যমতে হাইড্ৰ'জেন গেছক হাইড্ৰ'জেন ধাতুলৈ পৰিৱৰ্তন কৰা সম্ভৱ। এই কাৰ্যত যদিও বৃহৎ পৰিমাণৰ শক্তিৰ দৰকাৰ , তথাপিও এবাৰ সম্পূৰ্ণকৈ সফল হ'লে ছুপাৰ কম্পিউটাৰ,ৰে'ল, শক্তি খণ্ড আৰু ৰকেট নিক্ষেপন আদিত যুগান্তকাৰী পৰিৱৰ্তন সাধন হ'ব। বৰ্তমান অলপ পৰিমাণেহে ধাতৱ হাইড্ৰ'জেন প্ৰস্তুত সম্ভৱ হৈছে।

**অণুজীৱৰ পৰা পৃথিৱীৰ ক্ষুদ্ৰতম টেপ ৰেকৰ্ডাৰ** : ছায়েন্স বিজ্ঞান পত্ৰিকাত প্ৰকাশিত এটি প্ৰৱন্ধ মতে বিজ্ঞানীসকলে এক প্ৰকাৰ অণুজীৱক সাধাৰণ পৰীক্ষাগাৰৰ ষ্ট্ৰেইনৰ সহায়ত জিনৰ সামান্য সালসলনি কৰি জৈৱিক টেপ ৰেকৰ্ডাৰলৈ পৰিৱৰ্তন কৰিবলৈ সমৰ্থ হৈছে। কলম্বিয়া বিশ্ববিদ্যালয়তৰ চিকিৎসা

কেন্দ্ৰৰ বিজ্ঞানীসকলে পৃথিৱীৰ ক্ষুদ্ৰতম টেপ ৰেকৰ্ডাৰ নাম দিয়া এই অণুজীৱ ৰোগীক ভক্ষণ কৰিবলৈ দিলে পাচন নলীৰ মাজেৰে পাৰ হৈ যাওঁতে অণুজীৱবোৰে তাৰ চাৰিওফালে ঘটা ঘটনাবোৰ ৰেকৰ্ড কৰি লৈ যায়। বেমাৰ আদিৰ অনুসন্ধানৰ ক্ষেত্ৰত ই এক অভূতপূৰ্ব ঘটনাই নহয় যুগান্তকাৰীও হ'ব বুলি বিজ্ঞানীসকলে মত পোষণ কৰিছে।

(সংগ্ৰহ : বিজ্ঞান জেউতি)

ধ্ৰুৱজ্যোতি বেজবৰুৱা
চতুৰ্থ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

# বৰ্তমান অসমৰ সংস্কৃতি

বৰ্তমান সময়ৰ মানুহৰ উন্নতিৰ লগে লগে মানুহৰ চহা জীৱনৰ আধুনিকতাৰ পৰ্দাখনে আমাৰ বহু চহকী সংস্কৃতি আৰু পৰম্পৰাবোৰ লাহে লাহে আমাৰ জীৱনৰ পৰাই ঢাকি ৰাখিছে।মানুহে দিনক দিনে উন্নতিৰ শিখৰত আৰোহণ কৰিছে যদিও নিজৰ নিজৰ সংস্কৃতি ,নিজৰ নিজৰ পৰম্পৰাবোৰ পাহৰি পেলাইছে। বহুতে কোৱা শুনো যে "জীৱনত উন্নতি কৰিবলৈ হ'লে কিছুমান পৰম্পৰা ভংগ কৰিব লগা হয়।" এইখিনিতে মই ক'ব বিচাৰোঁ যে ওপৰৰ শাৰীৰ "কিছুমান" শব্দটোৱে কিছু সংখ্যক পৰম্পৰাৰ কথাকহে সূচায়, যিটো আমাৰ নিজৰ বাবে বা সমাজৰ বাবে অহিত । সেইবুলি নিজৰ পৰম্পৰা ভংগ কৰাটো নুবুজায়।পৰম্পৰা,সংস্কৃতি এইবোৰ আমাৰ উন্নতিৰ প্ৰতিবন্ধক নহয়, ই আমাৰ এখন সমাজৰ,এটা জাতিৰ পৰিচয় ।এইবোৰে এটা জাতি,এখন সমাজক ভৱিষ্যতলৈ জীয়াই ৰাখে।

বৰ্তমান সময়ৰ পশ্চিমীয়া সংস্কৃতিবোৰে আমাৰ সমাজত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে।পোছাক,ভাষা,সংগীত ,নৃত্য ,জীৱন ধৰণৰ প্ৰণালী আদি সকলোতে ইয়াৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়।আনৰ সংস্কৃতিৰ বিষয়ে জ্ঞান অৰ্জন কৰাটো ভাল কিন্তু নিজৰ সকলো পাহৰি আনৰটোক গ্ৰহণ কৰাটো ভুল। ভাৰতীয় সংস্কৃতি আৰু পৰম্পৰা আটাইতকৈ পুৰণি তথা শ্ৰেষ্ঠ ,লগতে ই সম্পূৰ্ণ বিজ্ঞানসন্মত ,যিটো প্ৰতিফলিত হৈছিল কৰ'ণা মহামাৰীৰ সময়ত যেতিয়া সকলোৱে নমস্কাৰ ব্যৱহাৰ কৰিছিল।

বৰ্তমান সময়ৰ যুৱপ্ৰজন্মৰ কিছু সংখ্যক লোকে ভাৱে যে যদি তেওঁলোকে পৰম্পৰাবোৰ পালন কৰে তেন্তে তেওঁলোকক বহুতো পুৰণি লোকৰ দৰে হোৱা বুলি উপলুঙা কৰিব কিন্তু তেওঁলোকে এইটো জনাটো দৰকাৰ যে তেওঁলোক হৈছে এটা জাতিৰ বা এখন সমাজৰ ভৱিষৎ । যদি তেওঁলোকে ইয়াৰ পৰাই বঞ্চিত হয় তেন্তে এই পৰম্পৰা ,সংস্কৃতি এদিন সময়ৰ সোঁতত উটি গৈ নাশ হ'ব। সেয়েহে ইয়াক সংৰক্ষণ তথা পালন কৰাটো আমাৰ সকলোৰে দায়িত্ব আৰু কৰ্তব্য।

ডেভিদ শৰ্মা
চতুৰ্থ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

# মঙলতি ভূত

'সাঁজ লগাৰ আগে আগে ঘটিৰামৰ দোকানৰ পৰা কেৰাচিন তেল আনিম বুলি দোকানলৈ গলোঁ । তেতিয়ালৈ বৰষুণ দিয়া নাছিল । তেলকেইটোপা দোকানৰ পৰা লৈ চাইকেলত লাফ দিয়াৰ পৰা কিনকিনিয়া বৰষুণজাক .......

অলপ বতাহো বলিব লৈছে... সাঁজ লাগি মণিব নোৱাৰা হৈছে গৈ... আহি আহি মঙলতী কেঁকুৰিটো পাওঁতেহে বুকুখন ঢম - ঢমকৈ জোকাৰিব ধৰিছে... মনতে ভাব হ'ল কিবা এটা যেন মোৰ পিচে পিচে আহি আছে....

ৰাস্তাটোৰ কাষৰ বাঁহবোৰেও আজিহে যেন বেছিকৈ কেৰ-কেৰকৈ চিঞৰিব ধৰিছে... ইফালে মোৰ পেন্টটোও তিতি গল... হঠাৎ আগেদি কিবা এটা যোৱা যেন পালোঁ.. লগে লগে ভয়তে মই গৈ একেবাৰে খাৱৈত সোমালোগৈ আৰু কিহবাৰ খিল-খিলনি শুনা যেন পালোঁ..... লাহে লাহে যেন হাঁহিবোৰ মোৰ কাষ চাপি আহিছে, এনে লাগিল... বগা সাজত কিবা এটা যেন আগুৱাই আহি আছে.... তাৰপাছত হঠাতে যেন মোৰ গলত চেপি ধৰিছে কোনোবাই....

লাহে লাহে সেই হাঁহি , বগা সাজযোৰ যেন মই অনুভব কৰিব নোৱাৰা হৈ গৈছোঁ............।।।

ভাৰ্গৱ দাস
দ্বিতীয় ষান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

জীৱনটো কি বস্তু , সেই কথা বুজিবলৈ হ'লে আমি পাছলৈ ঘূৰি চাব লাগিব ;
কিন্তু জীৱনটো যাপন কৰিবলৈ হ'লে আমি চাব লাগিব সন্মুখলৈ ।

-ছোৰেন কিয়েৰ্কগাৰ্ড

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শৈল্পিক আৰু ধাৰ্মিক উত্তৰণত চিলাৰায়ৰ ভূমিকা

"পৰম ৰসিক গুৰু শুক্লধ্বজ

ৰজা নৃপতি প্ৰধান

জয়তু জয়তু নিত্য ঈশ্বৰ কৃষ্ণক

কেলৰস জন।'

-'ৰামবিজয় নাটত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ চিলাৰায় সম্বন্ধে ৰসিক বৰ্ণনা

কোনো এগৰাকী ব্যক্তিৰ কৰ্মৰাজিৰ প্ৰকৃত মূল্যায়ন তেতিয়াহে হয়, যেতিয়া সেই কৰ্মৰ বহুল প্ৰচাৰ আৰু প্ৰসাৰ হয়, যাৰ যোগেদি সৰ্বোচ্চ হিতসাধন হয়। কোনো এগৰাকী ব্যক্তিৰ কৰ্মৰ বিস্তৃতি তেতিয়াহে বৃদ্ধি পাই যেতিয়া তেওঁক এখন উপযুক্ত মঞ্চ প্ৰদান কৰা হয়, আৰু সেই মঞ্চ প্ৰদান তেওঁহে কৰিব পাৰে যিজনে সেই গুণ প্ৰতিভাক আৱিষ্কাৰ কৰিব পাৰে, কৰ্মক সম্মান দিব জানে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বাবে মঞ্চ প্ৰদানৰ এই অভিলাষী কাম কৰিছিল সৰ্বজনবিদিত বিশ্বমা চিলাৰায়ে। চিলাৰায় নিজেই আছিল গুণৰ আকৰ যাৰ বাবে তেওঁ অন্য এগৰাকী গুণীৰ মোল বুজি পাইছিল। চিলাৰায়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক শিল্প, সাহিত্য আৰু ধৰ্মচৰ্চাত বিঘিনিনাশী দুৰ্জয় কৱচ হিচাপে আৱৰি ৰাখিছিল। সেয়েহে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শৈল্পিক আৰু ধাৰ্মিক উত্তৰণত বীৰ চিলাৰায়ৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰাৰ উদ্দেশ্যে মোৰ ৰচনাখনি আগবঢ়াই নিয়াৰ প্ৰয়াস

**খোৰতে বিশ্বমহাবীৰ চিলাৰায়** : যদিওবা ৰচনাৰ বিষয়টোৱে চিলাৰায়ৰ বৃত্তান্ত বিচৰা নাই, কিন্তু গুণীৰ মোল বুজা অন্যগৰাকী গুণীৰ বিষয়ে কিঞ্চিৎ হলেও জনাটো উচিত বুলি মোৰ মনে ধৰে। বীৰ চিলাৰায়ৰ (জন্ম: ১৫১০চন- মৃত্যু: ১৫৭১ চন) প্ৰকৃত নাম আছিল শুক্লধ্বজ। তেওঁৰ পিতৃ আছিল ষোড়শ শতিকাৰ কোঁচৰাজ্যৰ প্ৰতিষ্ঠাপক বিশ্বসিংহ, মাতৃ পদ্মাৱতী আৰু ভাতৃ আছিল ৰজা নৰনাৰায়ণ। তেওঁ নৰনাৰায়ণৰ সুদক্ষ সেনাপতি আছিল। তেওঁ চিলাৰ দৰে চোঁ মাৰি ৰণ কৰিছিল, সেয়ে তেওঁক চিলাৰায় বুলিও জনা যায়। চিলাৰায় দেৱান বা মন্ত্ৰীৰ কামো কৰিছিল, সেই কাৰণে তেওঁক লোকে চিলাৰায় দেৱান বুলিও সম্বোধন কৰিছিল। তেওঁৰ বীৰত্ব আৰু পাৰদৰ্শিতাৰ ফলতে কোঁচ সৈন্যই ভূটীয়া, কছাৰী আৰু আহোম সৈন্যক বহুকেইখন যুদ্ধত পৰাস্ত কৰিছিল।

**গুৰুজনাৰ কোঁচৰাজ্য গমন**: ইতিহাস অধ্যয়নৰ পৰা গম পোৱা যায় যে ভূঞা বংশজাত হোৱা বাবেই ভক্তি আন্দোলনৰ মূল কাণ্ডাৰীসকলৰ কোঁচৰাজ্যত প্ৰৱেশ কৰাৰ কোনো অভিলাষ নাছিল। কিন্তু সেইসময়ৰৰ আহোম ৰজা চুক্লেনমুঙে (গড়গঞা ৰজা) তেওঁলোকৰ শিষ্যসকলক কৰা অমানৱীয় আচৰণ শংকৰদেৱক ব্যথিত কৰাৰ লগতে মানসিকভাবে জোকাৰি পেলাইছিল। সেই সময়ত মাধৱদেৱে তেওঁৰ ভক্তসকলৰ সৈতে বৈষ্ণৱধৰ্মৰ প্ৰচাৰ কৰিবলৈ উজনী অসমলৈ যাওঁতে ব্ৰাহ্মণসকলৰ প্ৰৰোচনাত আহোম ৰজাই তেওঁলোকক বন্দী কৰি পোতাশাললৈ প্ৰেৰণ কৰিছিল আৰু পৰবৰ্তী সময়ত হাতী ৰখীয়াৰ দৰে শাৰীৰিক শক্তি প্ৰয়োজন হোৱা কামত নিয়োগ কৰিছিল। হাতীৰখীয়াৰ কামত মাধৱদেৱ আৰু শিষ্যসকল বিফল হেৱাৰ বাবে শাস্তি স্বৰূপে আহোম ৰজাৰ আদেশত হৰি জোঁৱাইক শিৰচ্ছেদ কৰি হত্যা কৰা হৈছিল। এই দুখত শংকৰদেৱ অতিকে মৰ্মাহত হৈছিল আৰু অসম দেশ এৰা কথা ভাবিছিল। সেয়ে, নতুন জীৱন আৰু ভাগ্যৰ অন্বেষণত ১৫৪৯ চনত ৮৭ বছৰ বয়সত শংকৰদেৱে কোঁচ-কামতালৈ যাত্ৰা আৰম্ভ কৰিছিল। শংকৰদেৱৰ এই যাত্ৰাই আজিৰ অসমৰ অন্যতম আধ্যাত্মিক পৰিচয় নিৰ্ধাৰণকৰিছিল।

**গুৰুজনাৰ শৈল্পিক আৰু ধাৰ্মিক উত্তৰণত চিলাৰায়ৰ ভূমিকা**: সেনাপতি চিলাৰায় আৰু ৰজা নৰনাৰায়ণৰ কোঁচৰাজ্যত প্ৰৱেশ কৰি ভকত-বৈষ্ণৱসহিতে চূণপোৰাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে থাকিবলৈ ললে। সেইসময়তে অনেক লোক আহি শংকৰদেৱৰ চৰণত শৰণ ল'লেহি। ইয়াত থকাৰ কিছু অসুবিধা পোৱাত শংকৰদেৱ কুমাৰকুছিলৈ যায়। তাৰপাছত তাতো মন নবহাত শংকৰদেৱে সকলোকে লৈ পাটবাউসীলৈ গমন কৰে। তেওঁলোকে পাটবাউসীত স্থায়ীকৈ সত্ৰ স্থাপন কৰি বসতি স্থাপন কৰে। শংকৰদেৱে কীৰ্ত্তন ঘোষাৰ শেষৰ অংশ পাটবাউসীতে ৰচনা কৰি শেষ কৰে। সুন্দৰ ফুলনিৰে ভৰপূৰ নিৰাপদ এই ঠাইত ভক্তিৰসৰ মাজেৰে ভগৱানত বিলীন হৈ যাব পৰা এই পৰিৱেশৰ বিষয়ে ভাগৱততো উল্লেখ আছে-

শ্ৰৱণ-কীৰ্তন কৰি কৃষ্ণক আৰাধে
মহামোক্ষ সাধে একো বিঘিনি নৱাধে ।" (২য় স্কন্ধ)

তেওঁ ভাগৱতৰ প্ৰথম, দ্বিতীয়, তৃতীয়, সপ্তম, অষ্টম, দশম, একাদশ আৰু দ্বাদশ ভাঙনিও পাটবাউসীতে কৰে। তেওঁ ইয়াতেই ৰুক্মিণী হৰণ, ভক্তি প্ৰদীপ, নিমি নৱ সিদ্ধ সংবাদ, কালীয় দমন ইত্যাদিও পাটবাউসীতে ৰচনা কৰে। শংকৰদেৱে একমাত্ৰ সংস্কৃত গ্ৰন্থ ভক্তি ৰত্নাকৰ পাটবাউসীতে ৰচনা কৰে। শংকৰদেৱে বিভিন্ন ভটিমা, বৰগীত আদিও পাটবাউসীতে ৰচনা কৰে। তাৰপাছত তেওঁ মাধৱদেৱক এখন গ্ৰন্থ ৰচনাৰ উপদেশ দিয়ে আৰু এই উপদেশ সাৰোগত কৰিয়েই মাধৱদেৱে 'নামঘোষা' ৰচনা কৰে।

বিদ্যানুৰাগী, সংগীতসাধক চিলাৰায়ে শংকৰদেৱৰ বদৰিকাশ্ৰমত থাকোতে ৰচিত তেওঁৰ প্ৰথম বৰগীত "মন মেৰি ৰাম চৰণেহি লাগু' কমলাপ্ৰিয়াৰ মুখে শুনি তেওঁৰ প্ৰতি আসক্ত হৈ পৰিছিল। সেই আসক্তিৰ ফলত কমলা প্ৰিয়া আৰু চিলাৰায়ৰ মিলনে নহয় মণি কাঞ্চন সংযোগ ঘটিছিল। সাহিত্যবিদৰ মতে সেই মিলন শংকৰদেৱ আৰু চিলাৰায়ৰ সংযোগ। চিলাৰায়ে শংকৰদেৱৰ সৈতে শাস্ত্ৰৰ চৰ্চা কৰিছিল আৰু বৃন্দাবনখন পটত চিত্ৰিত কৰি দেখুৱাবলৈ শংকৰদেৱক অনুৰোধ কৰিছিল। তেতিয়া শংকৰদেৱে তেওঁলোকক চাৰিমাহৰ মূৰত পট প্ৰস্তুত কৰি প্ৰদৰ্শন কৰিব পৰা হ'ব বুলি নৰনাৰায়ণ আৰু চিলাৰায়ক কথা দিছিল। শংকৰদেৱৰ কথাত সন্তোৰ লাভ কৰি কোঁচ ৰজা নৰনাৰায়ণ শংকৰদেৱক তাঁতীকুচি ৰাজ্যৰ অধিকাৰ প্ৰদান কৰিলে আৰু তেওঁক পাটবাউসীত বৰভূঞা পদত অধিষ্ঠিত কৰিলে। ইয়াৰ পিছতেই চিলাৰায় আৰু তেওঁৰ পত্নী ভুৱনেশ্বৰীয়ে শংকৰদেৱৰ ওচৰত শৰণ ল'লে। সকলে যা-যোগাৰ কৰি শেষ হোৱাৰ পাছত শংকৰদেৱে ভাতীসকলক মতাই আনি ৰজাৰ আজ্ঞামতে বৃন্দাবনী বস্ত্ৰ ববলৈ নিৰ্দেশনা দিলে। শংকৰদেৱে দৈনিক তাঁতীকুচিলৈ গৈ এবেগেতকৈ বোৱাইছিল। এদিন শংকৰদেৱৰ নৰীয়া হোৱাত মাধৱদেৱে গুৰু শংকৰদেৱৰ আজ্ঞা অনুসৰি তাঁতীকুচিলৈ বৃন্দাবনী বস্ত্ৰ বোৱা নিৰীক্ষণ কৰিবলৈ গ'ল। সেইদিনা মাধৱদেৱে এবেগেত চাৰি আঙুল বোৱালে। সেইদিনাৰ পৰাই শংকৰদেৱে মাধৱদেৱক 'বঢ়াৰ পো নাম দিলে।

"বৃন্দাবন মথুৰাত যত মানে লীলা
কৰিলন্ত পট তাত চিত্ৰক তুলিলা
কৃষ্ণৰ জন্ম হন্তে কংস বধ মানে
নাৰাখিলে বাকী একো তুলিলা সঘনে
দীৰ্ঘ ছয়কুৰি হস্ত, প্ৰস্থে কুৰি তিনি
এহি মানে বস্ত্ৰ বুইলা আপুনি। "

বৃন্দাবনী বস্ত্ৰখন বৈ শেষ কৰাত শংকৰদেৱে সেইখন নি কোঁচ ৰজা নৰনাৰায়ণ আৰু চিলাৰায়ৰ সন্মুখত প্ৰদৰ্শন কৰিলে আৰু ৰাজসভাত বৃন্দাবনী বস্ত্ৰৰ বিষয়ে সকলো বুজাই দিলে। চিলাৰায় আৰু নৰনাৰায়ণ শংকৰদেৱৰ কাৰ্যত সন্তোষ লাভ কৰিলে শংকৰদেৱৰ গুণ-গৰিমা চাৰিওফালে প্ৰস্ফুটিত হৈছিল আৰু তেতিয়াই কোঁচ ৰাজ্যৰ কিছুমান ব্ৰাহ্মণ পণ্ডিত শংকৰদেৱৰ গৰিমা বৃদ্ধিত ঈৰ্ষান্বিত হৈছিল। তেওঁলোকে ৰজা নৰনাৰায়ণক শংকৰদেৱ অনাচাৰী বুলি গোচৰ দিছিল আৰু সেয়ে ৰজাই শংকৰদেৱক ৰাজসভালৈ আনিবলৈ দূত প্ৰেৰণ কৰিছিল কিন্তু হেন সময়তে চিলাৰায়ে শংকৰদেৱক লুকুৱাই থৈছিল। এই বিষয়ে গম পাই ৰজা নৰনাৰায়ণ চিলাৰায়ক শংকৰদেৱক তেওঁৰ ৰাজসভালৈ প্ৰেৰণ কৰিবলৈ ক'লে। ৰজা নৰনাৰায়ণৰ ৰাজসভাত উপস্থিত হৈ শংকৰদেৱে তেওঁৰ সাতখলপীয়া সিংহাসনৰ ওপৰলৈ লাহে-লাহে উঠি গৈ থাকিল আৰু তাত লগে-লগে প্ৰতিটো ফলপতে উঠি তেওঁ এটা টোটয় গাই যাব ধৰিলে। সেই টোটয়টো আছিল-

"মধু দানৱ দাৰণ দেৱ ৱৰং
ৱৰ ৱাৰিত লোচন চক্র ধৰং।।
ধৰণী ধৰ ধাৰণ ধ্যেয় পৰং।
পৰমাৰ্থ বিদ্যা শুভ নাশ কৰং।।.."

তাৰপাছতেই শংকৰদেৱে ৰজা নৰনাৰায়ণক আশীৰ্বাদ দিলে আৰু শংকৰদেৱৰ পাণ্ডিত্যত মোহ গৈ নৰনাৰায়ণে তেওঁক প্ৰশংসাৰে উপচাই পেলালে আৰু তেওঁৰ বিৰুদ্ধে গোচৰ দিয়া ব্ৰাহ্মণসকলে লাজ পালে । পাছদিনাখন নৰনাৰায়ণৰ ৰাজসভাত শংকৰদেৱৰ সৈতে ব্ৰাহ্মণ পুৰোহিতসকলৰ তৰ্ক হ'ল কিন্তু এই তৰ্কযুদ্ধত শংকৰদেৱ জয়ী হল। এই ব্ৰাহ্মণসকলে তাৰ পাছত কাশী, প্ৰয়াগৰ পৰাও পণ্ডিত মাতি আনিছিল যদিও শংকৰদেৱক কোনেও তৰ্কযুদ্ধত ঘটাব পৰাজয় ঘটাব নোৱাৰিলে বৰং লজ্জিত হে হ'ল।

**গুণমালাৰ সৃষ্টি** : ৰজা নৰনাৰায়ণে সকলো পণ্ডিতকে সুধিলে যে তেওঁলোকে ভাগৱত শাস্ত্ৰৰ সাৰখিনি উদ্ধাৰ কৰি একেদিনাই ৰজাক শুনাব পাৰিবনে নোৱাৰে? আন সকলো ব্ৰাহ্মণ পণ্ডিতে এদিনতে নোৱাৰো বুলি কলে কিন্তু শংকৰদেৱে সাধ্য অনুসৰি চেষ্টা কৰি চাম বুলি ক'লে আৰু একে ৰাতিতেই গুৰুজনাই "গুণমালা" শাস্ত্ৰ ৰচনা কৰি ৰজা নৰনাৰায়ণক অৰ্পণ কৰিলে। এই কাৰ্যটোক "ভুৰুকাত হাতী ভৰোৱা" বুলি কোৱা হয়। শংকৰদেৱৰ এই প্ৰাঞ্জল ৰচনাত সকলো প্ৰফুল্লিত হ'ল আৰু নৰনাৰায়ণে তেওঁক বঁটা-বাহন দি পাটবাউসী লৈ বিদায় দিলে।

কিছুবছৰ পাটবাউসীত বাস কৰি শংকৰদেৱ কোচবিহাৰলৈ গ'ল। কোচবিহাৰত উপস্থিত হোৱাৰ লগে লগে চিলাৰায় আহি মহা আনন্দেৰে শংকৰদেৱক আদৰণি জনায় আৰু ফুলিনবাৰীৰ ঘৰত শংকৰদেৱ থকাৰ ব্যৱস্থা কৰি দিলে। কোঁচ ৰজা নৰনাৰায়ণৰ উপদেশমৰ্মে চিলাৰায়ে শংকৰদেৱক মধুপুৰত এখন সত্ৰ পাতি দিলে। শংকৰদেৱে সদায় ৰজা নৰনাৰায়ণৰ ৰাজসভালৈ আহে আৰু কৃষ্ণৰ গুণানুকীৰ্ত্তন কৰে। এনেদৰেই প্ৰায় আঢ়ৈ বছৰ শংকৰদেৱে কোচবিহাৰত ধৰ্মপ্ৰচাৰ কৰি ৰাজসভালৈ গৈ থকাত ৰজা নৰনাৰায়ণ শংকৰদেৱৰ প্ৰতি সম্পূৰ্ণ আকৃষ্ট হ'ল আৰু তেওঁ শংকৰদেৱৰ ওচৰত শৰণ ল'বলৈ মন মেলিলে। কিন্তু শংকৰদেৱে ৰজাক শৰণ দিবলৈ অনিচ্ছা প্ৰকাশ কৰিলে। ৰজা নৰনাৰায়ণ বৰকৈ ধৰিলত শংকৰদেৱে ক'লে যে আপুনি শৰণ লবলৈ মন কৰিছে যদি কাইলৈ উপবাসে থাকক, ঈশ্বৰে কৰিলে আপোনাক পৰাতিলৈ শৰণ দিয়া হ'ব। কিন্তু শৰণ দিবলৈ ধাৰ্য কৰা দিনটাতেই শংকৰদেৱৰ বুঢ়া আঙুলিত ফোঁহা এটাই দেখা দিলে। ৰজাই শৰণ ল'বলৈ প্ৰস্তুত হৈ শংকৰদেৱক নিবলৈ সূত পঠিওৱাত ফোঁহাৰ পীড়াত শংকৰদেৱ যাবলৈ নোৱাৰিম বুলি ক'লে। আৰু তাৰ পাছতেই কোচবিহাৰৰ মধুৰ সত্ৰৰ টেপৰ গছৰ তলতেই ১৪৯৩ শক অৰ্থাৎ ১৫৬৬ খ্ৰীষ্টাব্দৰ ভাগৰ দ্বিতীয়া তিথিত দিনৰ ডেৰ বজাত মহাপুৰুষ শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণ ঘটে।

**উপসংহাৰ** : নিচেই সীমিত অভিজ্ঞতা আৰু ক্ষুদ্ৰ জ্ঞানপুঞ্জিৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শৈল্পিক আৰু ধাৰ্মিক উত্তৰণত চিলাৰায়ৰ ভূমিকা সম্বন্ধে বিশদভাৱে দাঙি ধৰিবলৈ যোৱাটো মোৰ বাবে ধৃষ্টতা মাথোঁ, তথাপি সাধ্যানুসাৰে দুই-এটি কথাৰ অৱতাৰণা কৰা হৈছে।

শংকৰী নৱজাগৰণৰ মাধ্যমেৰে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ যি বাৰেৰহনীয়া অনবদ্য বিকাশ ঘটিছিল তাৰ মূলতেই আছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতা আৰু ইয়েই নিঃসন্দেহে "চোটা ৰাজা শুক্লধ্বজ (চিলাৰায়ৰ) বিচক্ষণতা, বুদ্ধিমত্তা, মহানুভতা, দূৰদৰ্শিতা, প্ৰচণ্ড সাহসিকতা, মানসিক দৃঢ়তা, ৰাজনৈতিক ক্ষেত্ৰত থকা পাৰদৰ্শিতা আৰু কূটনৈতিক ক্ষেত্ৰত থকা নিপুণ কুশলতাৰ বিষয়েও সুন্দৰকৈ প্ৰমাণ কৰে। গুৰুজনাৰ বিভিন্ন লেখাত চিলাৰায়ৰ ব্যক্তিত্বৰ আভাস পোৱা যায়। সদৌ শেষত তেওঁৰ ৰণনীতিৰ বিষয়ে গুৰুজনাই লিখা এটি স্তৱকেৰে মোৰ এই ৰচনাখনিৰ ইতিৰেখা অংকন কৰিলোঁ-

"মোৰে চাৰি চিলাহে
জুম্পে ৰণ মাজে
এতেকে সে চিলাৰায়
বোলে সবে ৰাজ্যে।"

অৰ্ণৱজ্যোতি তালুকদাৰ
প্ৰাক্তন ছাত্ৰ, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

# শিক্ষক আৰু শিক্ষাদান

মহান শিক্ষাবিদ,ভাৰতৰত্ন ড° সৰ্বপল্লী ৰাধাকৃষ্ণনে কৈছিল-" The importance of education is not only in knowledge and skill but it is to help us to live with others."(অকল জ্ঞান আৰু কৌশল জানিলেই শিক্ষা সম্পূৰ্ণ নহয়।ই সম্পূৰ্ণ হ'ব যদিহে সকলোৱে পৰস্পৰে সহায় সহযোগিতাৰে জীয়াই থাকিব পৰা যায়।) গতিকে শিক্ষাই আনক সহায় কৰিব শিকাব লাগিব। এজন শিক্ষকে গোটেই জীৱন টো শিক্ষাৰ প্ৰসাৰৰ বাবে আত্মত্যাগ কৰিব লাগিব। Teacher শব্দত থকা প্ৰতিটো বৰ্ণই একো একোটা গুণ বা বৈশিষ্ট্যক বুজাই। যেনে- T মানে Truthfulness,সত্যবাদী। শিক্ষক সত্যবাদী হ'বলৈ যত্ন কৰা উচিত। E মানে Efficiency, পাৰদৰ্শিতা।এই গুণ ৰ অভাৱ হ'লে এজন শিক্ষক হোৱাটো কঠিন।A মানে Ability, সামৰ্থ। শিক্ষক এজনক যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'বলৈ সাহসৰ প্ৰয়োজন।C মানে character, চৰিত্ৰ। ছাত্ৰ ছাত্ৰীৰ ওপৰত শিক্ষক ৰ প্ৰভাৱ পৰে আৰু তেখেতক অনুকৰণ কৰে ।H মানে Humour,শিক্ষকৰ কথা বতৰা সুমধুৰ হ'ব লাগে। তেখেতৰ কথা বতৰাত ছাত্ৰ ছাত্ৰী আকৰ্ষিত হ'লেহে জ্ঞান আহৰণ কৰিব পাৰিব। E মানে Eloquence, বাগ্মীতাক বুজায়। শিক্ষক জনৰ বাগ্মীতাই সকলোকে আকৰ্ষণ কৰিব লাগিব। R মানে Readiness, যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'বলৈ প্ৰস্তুত থকা বুজায়। এনে গুণৰ অধিকাৰী হ'লেহে সকলো পৰিৱেশতে শিক্ষক জনে ছাত্ৰ ছাত্ৰীক শিক্ষাদান দিব পাৰিব।

ওপৰোক্ত সাতোটা গুণ এজন শিক্ষক ৰ জীৱনত সম্পূৰ্ণ ভাবে প্ৰতিফলন নহ'লে এজন প্ৰকৃত শিক্ষক হ'ব নোৱাৰে। কিন্তু বৰ্তমান পৰিস্থিতি আৰু পৰিৱেশৰ তাগিদাত বেছি সংখ্যক ভাল গুণৰ সমাহাৰে প্ৰকৃত শিক্ষক বুলি ধৰি আস্থা আৰু আত্মবিশ্বাসেৰে আমি সন্মান জনোৱাটো কৰ্তব্য। অনুকৰণ শিক্ষাৰ প্ৰধান অৱলম্বনস্বৰূপ। শিক্ষকক অনুকৰণ কৰা স্বাভাৱিক প্ৰৱণতাৰ যোগেদিয়েই ছাত্ৰ ছাত্ৰীয়ে শিক্ষা আহৰণ কৰি মানসিক বিকাশ সম্ভৱ কৰি তোলে। সেইবাবে ছাত্ৰ ছাত্ৰী ৰ এই অনুকৰণ প্ৰৱণতাক শিক্ষকে শিক্ষাৰ দিশত উপযুক্ত ভাবে প্ৰয়োগ কৰিব লাগে। শিক্ষকে ছাত্ৰ ছাত্ৰী ক ভাল আচৰণ প্ৰদৰ্শন কৰিবলৈ মৌখিকভাৱে সাৰুৱা উপদেশ দিয়াৰ পৰিৱৰ্তে নিজে সুস্থ সুন্দৰ আচৰণ ছাত্ৰ ছাত্ৰীৰ বাবে আৰ্হি স্বৰূপ কৰি তুলিব লাগে। শিক্ষক ৰ ভাৱ চিন্তা আৰু ক্ৰিয়া আচৰণ উচ্চ মানবিশিষ্ট হ'ব লাগে। শিক্ষক ৰ সাজ পোছাকৰ পৰিপাটিতা ,ভিন্ন পৰিস্থিতিত আৱেগ নিয়ন্ত্ৰণৰ ক্ষমতা,স্বভাৱসুলভ নম্ৰতা , বিচাৰ বিবেচনা, সাধুতা আদি গুণ থাকিলে তেখেত অনুকৰণীয় হৈ উঠে।

এই পৃথিৱীত সকলো মানুহ গোটেই ভাল গুণৰ অধিকাৰী হ'ব নোৱাৰে। ঠিক সেইদৰে এজন শিক্ষকো বৰ্তমান পৰিস্থিতিত সৰ্বগুণ সম্পন্ন হোৱাটো অসম্ভৱ। তথাপিও তেখেতসকলে দেশ আৰু সমাজ গঢ়াৰ মহান দায়িত্ব পালন কৰি আহিছে। নতুন নতুন আৱিস্কাৰৰ গুৰি ধৰি আমাৰ শিক্ষা, কৃষি, স্বাস্থ্য, প্ৰযুক্তিবিদ্যা আদি বিভিন্ন ক্ষেত্ৰত আমূল পৰিবৰ্তন আনিছে। তেখেত সকলৰ গুণগত শিক্ষাৰ দ্বাৰাই নিবনুৱা, নিৰক্ষৰতা আদি নিৰ্মূল কৰি সমাজ এখনক উন্নতিৰ শিখৰত উপনীত কৰে। শিক্ষানুষ্ঠান সমূহ মানুহ গঢ়াৰ মন্দিৰ আৰু শিক্ষক সকল মন্দিৰৰ পূজাৰী। শিক্ষক সকলে ছাত্ৰ ছাত্ৰীক আগবাঢ়ি যাবলৈ মূল্যবোধৰ শিক্ষা দিয়ে।

স্বামী বিবেকানন্দই কৈছিল-"ভাৰতবৰ্ষত শিক্ষাগুৰু পিতৃতকৈও ডাঙৰ। ছাত্ৰ শিক্ষকৰ সম্পৰ্ক পিতৃৰ দৰে। পিতৃতকৈও শিক্ষাগুৰু সকলক বেছি শ্ৰদ্ধা কৰে। কিয়নো ভাৰতীয় সকলে ভাবে পিতৃয়ে আমাক জন্ম দিয়ে দায়িত্ব লয় কিন্তু শিক্ষাগুৰুয়ে দেখুৱাই মুক্তিৰ পথ।

শেষত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ এটা মন্তব্যৰে লিখনি সামৰিব খুজিছোঁ। তেখেতে কৈছে-"এজন শিক্ষকে শিক্ষা দান কৰিব নোৱাৰে যদিহে তেওঁ নিজে জ্ঞান অৰ্জনত ব্ৰতী নহয়। এটা প্ৰদীপ প্ৰজ্বলিত হৈ থাকিলেহে অন্য এটা প্ৰদীপ জ্বলাবলৈ সক্ষম হ'ব।"

(এইয়া মোৰ শিক্ষাগুৰুৰ ত্যাগ ক সন্মান জনাই লিখা অকণমান শ্ৰদ্ধা।)

কৌশিক দাস
চতুৰ্থ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী


# সহানুভূতি

হাতত এখন দীঘল দা আৰু এটা ফটা চিটা মোনা।শৰীৰৰ পোছাকযোৰ বহুতেই মলিন হৈ থকা এজন বৃদ্ধ শ্ৰমিক ঘৰৰ ডাঙৰ গেটখনেদি সোমাই মাত লগালে -" ঘৰত কোনোবা আছেনে ?" মাত শুনি ছোৱালী এজনী ওলাই আহিল।মানুহজনে কামৰ সন্ধানত মানুহৰ ঘৰে ঘৰে ঘূৰি ফুৰিছিল। ছোৱালীজনীয়ে মানুহজনক দেখি মনতে বহুত দুখ পালে।কাম নাথাকিলেও ঘৰৰ ফুলনিবাৰীখনকে চাফ চিকুণ কৰিবলৈ দিলে।

কামৰ শেষত ছোৱালীজনীয়ে যেতিয়া মানুহজনলৈ কাম কৰাৰ বাবদ পইচা আগবঢ়াই দিছিল। তেতিয়া তেওঁ কৈছিল -" আই অ' মোক পইচা নালাগে। মোৰ বৰ ভোক লাগিছে। মোক কিবা খাবলৈ দিলেই হ'ব।"

ছোৱালীজনী আনৰ প্ৰতি সহানুভূতিশীল আছিল।মানুহজনৰ কথাষাৰ শুনি তেওঁক কিবা খাবলৈ দিয়াৰ উপৰিও দুটকামান পইচাও বেছিকৈ দি কৈছিল -" এয়া লওক।আহি থাকিব ।কিবা অসুবিধা হ'লে ক'ব।" মানুহজনৰ মন ভৰি পৰিছিল ছোৱালীজনীৰ দয়ালু মনোভাৱ দেখি। তেওঁ গুছি গৈছিল প্ৰাপ্তিৰ হাঁহি মাৰি।

জিন্টু তালুকদাৰ
দ্বিতীয় ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী



মেলি থোৱা জপনাৰে আহে
ধীৰ খোজে
পদূলিৰ বকুলৰ সুৱাসৰ
মালিতা
প্ৰাণচঞ্চল আৱেগেৰে বৈ গৈ
ভাহে
উলাহৰ বসন্তৰ

# কবিতা

# অনুভৱ

কেতিয়াবা চাগে আমি আকৌ লগ পাম !
হয়তো চিনাকি ৰূপত,
নতুবা চিনাকি হৈও অচিনাকী ৰূপত,
আমাৰ হৃদয়ে তেতিয়া কথা পাতিব।
সময় সলনি হ'ব,
কিন্তু ৰৈ যাব তোমাৰ মোৰ
আধালিখা ভালপোৱা ।
তেতিয়া হয়তো তুমি তুমিটো হৈ নাথাকিবা
আৰু মই মইটো হৈ!
তথাপিও তোমাৰ উপস্থিতিত
হয়তো জীপাল হৈ উঠিব
আমি একেলগে পাৰ কৰা সেই
মধুৰ দিনবোৰ।
আহিবাচোন এদিন একেলগে বহি
সন্ধিয়াৰ আকাশৰ তলত চাহৰ সোৱাদ ল'বলৈ।
হুমনিয়াহ কাঢ়ি মই ক'ম
তোমাৰ অনুপস্থিতিত উকা হৈ থকা
মোৰ ডায়েৰীৰ কথা।
লিখিব লগা বহুত আছে।
কিন্তু এই পাগল মনটোৱে কেতিয়াও
অনুমতি নিদিয়ে তোমাৰ বিৰুদ্ধে লিখিব!
আহিবাচোন আকৌ,
ডায়েৰীৰ উকা পৃষ্ঠাবোৰত পুনৰ নীলা ৰং সিঁচিবলৈ ।।

মনীষা বৰ্মন
দ্বিতীয় ষান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

# নীলিম

হাঁহি মাথোঁ তোমাৰেই উপাসনা মায়া ,
যাৰ হিয়াৰ বান্ধোনেৰে বান্ধি থোৱা
এক নীৰৱ সাধনা।
সাগৰৰ বিশাল পৰিধিত নীলিম
হৃদয়ৰ এটি মাথোঁ সচাঁ ভালপোৱা
যাৰ মুগ্ধ হিয়াত থাকে অলেখ সপোন,
তেওঁ যেন মায়াৰে আৱৰা মুক্ত আকাশৰ
এটি ধ্রুৱতৰা।
অশ্রুসিক্ত নয়নেৰে মুকলি আকাশৰ
বুকুত বলা এছাতি মলয়া বতাহ,
শীতৰ সেমেকা গভীৰ নিশাও
এক অমাৱস্যা।।

ধ্রুৱজ্যোতি বেজবৰুৱা
চতুৰ্থ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

# প্ৰশমন

আহাৰৰ সেমেকা বতাহত
যিটো গান কেতিয়াও গোৱা নহ'ল
তাৰ এতিয়া অযুত কথকতা
যিটো কথা কেতিয়াও কোৱা নহ'ল
তাৰ ওচৰত এতিয়া হাৰি যাব
আঁউসীৰ আকাশৰ বিস্তৃত শূন্যতা।
ঠিকনাটো উৱলি যোৱাৰ আগেয়েই
সেই বাটত আজি এজোপা গোলাপ ৰোৱা হ'ব।
বেসুৰা হ'লেও গানটো গোৱা হ'ব।
নিজক সামৰিবলৈকে কথাটো কোৱা হ'ব।

কৃষ্ণ ৰাজবংশী
চতুৰ্থ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

# বনৰীয়া

মানৱ অৰণ্যত যেতিয়া
দিছিলোঁ প্ৰথমটো খোজ
এতিয়ালৈ প্ৰতিটো খোজতে আছে
একোখন মহা যুঁজ।
তথাপি নহয় ভাগৰুৱা
অচিন লক্ষ্যস্থলৰ শিকলিত বগোৱা
আমি এজাক বনৰীয়া ।

অনাই বনাই ঘুৰিছোঁ ফুৰিছোঁ
মৰম অকনো কাৰোবাৰ বিছাৰিছোঁ।
শিকিছোঁ অজান বহু কথা।
মনৰ আশাৰ হাবিত দৌৰি ফুৰা
আমি এজাক বনৰীয়া ।

নেজানো কেনেকৈ যাব
অহাকালিৰ দিন
অতিতো যে পাহৰি যাওঁ
মনত হেজাৰ কাম লীন।
কোনে কয় আমি ঘৰচীয়া
স্বাৰ্থপৰ চহৰৰ আলিবাটত দৌৰিফুৰা
আমি এজাক বনৰীয়া।

অঞ্জন আকাশ
ষষ্ঠ ষান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

# বিভীষিকা

হেৰাওঁ বুলিয়েই হঠাৎ হেৰাই গ'ল
আইতাই চোতালত সাধু কোৱা দিনৰ
পাতল নীলা আকাশ এখন।
এতিয়া চাদৰ ওপৰে ওপৰে মাথোঁ
কেইবাচপৰাও ওন্দোলা ক'লীয়া ডাৱৰ।
বাৰিষাবোৰত বৰষুণ অহাৰ কথা আছিল।
দুপৰীয়াৰ সূৰুযটো সৌ তাত জিৰোৱাৰ কথা আছিল
নৈৰ বুকুত,পাহাৰৰ কোলাত কিম্বা গছৰ ডালত।
মানুহে বিলাসিতাৰ ধামখুমীয়াত পাহৰি পেলালে সেই কথা!
মানুহ আৰু প্ৰকৃতিৰ মাজৰ এই অপ্ৰেমত
বিৰহৰ দাৱানলত জ্বলি উঠিব এদিন পৃথিৱী
ধোঁৱাই ছানি ধৰিব চকু,তাপত উতলিব বুকু !
খোজেপ্ৰতি পৰি ৰ'ব আপোনাৰ অৰ্ধগলিত দেহা!
পিঠিত অক্সিজেনৰ বোজা বান্ধি
বৃক্ষৰোপণ কাৰ্যসূচীৰে সিদিনা আমি
বিশ্ব পৰিৱেশ দিৱস উদ্ যাপন কৰিম ।
থাকা,থাকা,সকলো সাজু থাকা!!

জিন্টু তালুকদাৰ
দ্বিতীয় ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

# বিষাদৰ হাঁহি

এজন বয়োজ্যেষ্ঠ ব্যক্তি
আৰু হাতত কেইখনমান বিচনী
বজাৰত দিনটো বহি আছে
বিক্ৰী শূন্য!
তথাপিও মুখত হাঁহি
আহিব চাগে গ্ৰাহক
পাব ধন, নপৰে লঘোণ
ভিতৰি ভিতৰি নিদাৰুণ ।

আহিলে গ্ৰাহক
তুলি ল'লে বিচনী খনি
পেলাই দিলে দহ টকা ।
ৰৌদ্ৰোজ্জ্বল মুখ খনিত
আকৌ নামিল হতাশা,
তেওঁ হাঁহিটিৰ সৈতে ক'লে
এইখিনিৰে নহ'ব ,
মানুহজনে কোনো কথা নুশুনাকৈ গুচি গ'ল
আৰু তেওঁ বিষাদৰ হাঁহিটিৰে কৈয়ে ৰ'ল,
এইখিনিৰে নহ'ব..... এইখিনিৰে নহ'ব।

দ্বীপ জ্যোতি শৰ্মা
ষষ্ঠ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ
নলবাৰী কলেজ, নলবাৰী

# ENGLISH SECTION

A magazine or a newspaper is a shop. Each is an experiment and represents a new focus, a new ratio between commerce and intellect.

John Jay Chapman

# DOES MONEY MAKE MANY THINGS?



Now-a-days people working like machines just to earn more money from more than one source and they feel that they can get everything with money. In trying to earn money they miss small and precious pleasures that life offers to humans. There is no end to that want of earning. And at a peak stage, they feel that they are the only persons responsible for their huge success. But it is sad that at that stage most of the people forget taking care of their parents and other family members, supporters, and friends who made them strong to be in that position and overcome the difficulties that life poses them. There is a saying "Money makes many things" which may be good or bad depending on how we use it. Now, people earn lakhs of salary per month. Are they happy with that money ? No, because they miss something, something which money cannot buy. Something which they cannot have by just working like a machine i.e., they miss the feel of being alive and spend the quality time with family.

How much money should a person earn in his life? It is enough if he earns to satisfy the basic needs of the family and education and future of the children. But people wish to have a lavish and luxurious life. With this aim they work like slaves and become slaves of money. At the end, they realise that they couldn't take even a single rupee with them. The great Alexander is the best example for this. This is the reality of life. Depending on how you use money can either free you or enslave you. So, lets spend money wisely by donating some to the needy. With this perspective, if a person earns there will be no regrets due to lack of money. And we can spend time with our beloved parents who gave us such a wonderful life and this world. Money is only something that we need but not everything in life.

Kaushik Das
B.sc 4th sem, physics department
Nalbari college.

# Growing up

When we're seven or eight,all we want to do is grow up and be an astronaut or an artist or whatever. But as we get into high school or college,the fear of growing up and having to look after ourself hits hard. Though school is pretty crappy sometimes and doesn't teach us about paying taxes,or how to get a job ,we live in a generation where the internet can act as a substitute tutor. Growing up costs a lot sometimes ,it teaches us to face different phases of our life,how to deal with our emotions,our fears. At a certain age, we sometimes don't have anyone beside us to listen to our feelings and thoughts,as a result we had to keep it within us. We sometimes cannot say everything to our parents and that thing is the worst when growing up. An important step to growing up is not letting the fear of it eat you up! You have to stay calm and realise ,you aren't alone in this world. Letting yourself get to the point where all you do is stress over the future is not the advice I push anyone to take. My best advice is keep people close to you that you know will help and support you, set some future plans and try and find the best option for yourself.

Valuing our childhood is such an essential to moving on with our lives. Today is the oldest we've ever been and the youngest we'll ever be again and remembering that each day is a new chance and a new chapter is so reassuring.

Meghna Sarma
4th semester, Department of Physics
Nalbari College, Nalbari

# The Old Indian Vedic Gurukul Education System

**Introduction**:

The Vedic Gurukul education system was a traditional form of education in ancient India that was based on the scriptures and teachings of Hinduism.

This system was prevalent for thousands of years and has been an integral part of the Indian cultural heritage.

**What was the Vedic Gurukul Education System?** :

The Vedic Gurukul education system was a residential system where students lived and studied with their teachers, known as gurus. The gurukuls were located in remote areas, away from civilization, to provide a peaceful and conducive environment for learning. The curriculum consisted of subjects such as Sanskrit, mathematics, astronomy, politics, ethics, and other sciences. The students were also trained in various physical and mental disciplines, such as yoga, meditation, and martial arts.

**The Benefits of the Vedic Gurukul Education System** :

The Vedic Gurukul education system promoted a holistic approach to learning, encompassing both academics and personal development. The close relationship between the guru and student allowed for personalized attention and guidance.

The focus on values such as truth, compassion, and non-violence helped instill strong moral character in students.The residential aspect of the system allowed for a sense of community and the development of lifelong relationships.The Negative Impact of Modernization on the Indian Education System

The introduction of Western-style education during British rule and modernization in recent times has led to a decline in the traditional Vedic Gurukul education system.

The current education system in India places a heavy emphasis on rote learning and exams, leading to a neglect of critical thinking and creativity.

The commercialization of education has also led to a focus on profit over quality education, leading to a shortage of qualified teachers and inadequate resources.

**Conclusion** :

The Vedic Gurukul education system was a unique and valuable aspect of Indian culture and heritage. Although modernization has brought about many positive changes, it has also had a negative impact on the education system, leading to a decline in the traditional values and practices. It is important to acknowledge and preserve the aspects of the Vedic Gurukul education system that have proven to be beneficial for centuries and incorporate them into modern education for a more holistic approach to learning.

Nabajyoti Baishya
6th Semester, Department of Physics
Nalbari College, Nalbari

# Traditional sports of North East India

**Introduction**:

The history of sport can be traced back to the existence of human civilization itself. It is a key part of cultural identity, and a mechanism for the protection and promotion of cultural diversity. Thus, retaining knowledge of our traditional sporting practices is vital in term of sport as an expression of Intangible Cultural Heritage. Worldwide, there is a staggering cultural richness of indigenous, traditional, historical, and regional folk games and sports from different nations and ethnic minorities, many of which are fascinating not only for their differences, but also for the similarities of shared common features.

The Encyclopedia of World Sport includes over three thousand traditional sports from all around the world. The importance of traditional games and sports to our cultural heritage and the need for preservation has been officially recognized by United Nations Educational, Scientific and Cultural Organization (UNESCO). In spite of this, this important cultural heritage domain has yet to receive significant attention from the research community.

**A profile of the Zeliangrong**:

The Zeliangrong, one of the natives of north east India belongs to the Tibeto-Burman family of Mongoloid racial stock. According to legend, the Zeliangrong originated from a cave known as Mahou Taobei; they moved to Makhel and to Ramting Kabin, and then to Makuilongdi, Senapati District of Manipur.

From Makuilongdi, they migrated to different directions. Most of the Naga traditions point to Makhel as their original home. Another theory suggests that the Zeliangrong along with other groups of Tibeto-Burman family came from two regions: south-East Asia and south-west China. As the Zeliangrong are "Tibeto-Burman, they must have lived with other groups of the same family in south west China before 1000

B.C and migrated to eastern Tibet, Upper Burma, then moved into Irrawaddy valley, Malaysia and Indonesia, and they returned southward and entered north east India through Manipur river, and some tracts of Indo-Burma border to their present habitat. Now, the population of this ethnic group is found inhabiting in three states of Assam, Manipur and Nagaland.

In a year, the Zeliangrong people celebrate nine festivals at different stages of agricultural operations according to lunar calendar with festive spirit and prayer. Cultural festivals are times of "worship and prayer to Almighty God for plenty and welfare and celebration for them."The social and cultural values, the aesthetic and creativity are expressed through dances, games, songs and music. "The Zeliangrong religion is sustained by their colorful festivals accompanied by religious rites and prayers, dance and music and feasting during different months of a year."

In a few years, there has been huge growth and increase in the popularity of games across the whole of India, especially in the northeastern part of the country. Let's have a look at the popular games that are commonly played across the northeast along with other parts of India:

**Gaah Tarimei**:

Gaah Tarimei is a traditional game played by the boys and girls divided into two groups. It is played with the round seed of creeper (Costus Specosus) that grows in forest. It is nearly circular in shape, one and half inches in diameter and three fourth of an inch in thickness. The colour of the big seed is deep dark red.

The seed whose skin is very smooth when thrown on the well paved floor or the surface in the play moves smoothly without much friction. Each player has its own Gaah. One party puts these up on the ground and other party flicks to the opponents' pieces by putting the middle finger of the right with the same of the left. "The most popular game of the Zeliangrong boys and girls is the gaaring play in which the seed of

the gaa creeper is used for several items of gaaring game.

These children play the spinning top spun with a string and exactly those in use by the English boys." Among the Meteis, this game is known as Kang; they play it in a little different style. In the play, Kang is thrown in many ways:

(1) Throwing of the Kang with one hand or both the hands,
(2) Throwing of the Kang simple to roll,
(3) Holding of Kang in between the toes and then hopping one step to begin the play,
(4) Throwing of Kang with the head,
(5) Throwing of Kang from near the eyes, ears and lips,
(6) Throwing of the Kang holding it with the flexion of the knee,
(7) Releasing Kang making it down roll from the arm,
(8) To push and
(9) To throw etc.

Among the tribes of Manipur, Kaang is variously recognized as Southela by Tangkhuls, Thilli by Maos, Aga Ngahoktoo by Maram and so on. Gaah is usually played in the festival (after the performance of main functions of the festival) as recreation activity.

**Loi Jaimei :**

Loi Jaimei, tug of war is closely associated with the Gudui festival, which falls in the lunar month of Guduibuh, May every year. In the festival, they worship Tingkao Ragwang, the Supreme God by performing paddy calling ritual in every house of the village.

The main objective of this festival is for timely rainfall of the season, to grow the paddy plants well and nourish and to root to the soil, expand its stems quickly not causing any disturbances by insects or pesticides or warding off disease etc.

In the afternoon, people organize entertainment programme in which there is a Duidom Phaimei (throwing of the water put in a plantain leaf container) among the boys and girls (Tuna Gaan) followed by Loijaimei, tug of war between boys and girls, males and females as a symbolic representation of competition between gods and goddesses

for possessing the paddy. It is usually performed at the Danshanpung (village jumping ground) and girls ritually win the game, for there would be good yield in the year. The presence of rice deity is well attested in Asia where it is the staple crop. The rice deity is normally female, and to this Northeast is no exception.

According to TC Hodson, there is a festival in the month of May in which the girls have a tug of war against the boys in order to take the omens for the future of the crops. Pulling of rope is a game that directly pits two teams against each other in test of strength. Soon after the boys and girls hold at opposite ends of a rope, a man who acts as referee gives 'start' signal to begin the game. A line is usually drawn at the middle of the ground and the team who cross it in pulling the rope is declared loser.

Each team will get three chances to win the competition. If a team wins two times, the team will be declared winner. There is no specific place and time in the history to define the origin of the game, tug of war. The origin of the game in India has strong archeological roots going back at least to the 12th century AD in the area of Orissa on the east coast. The famous Sun Temple of Konark has a stone relief on the west wing of the structure clearly showing the game of Tug of War in progress.

Jhandi Munda

Jhandi Munda or Langur Burja is a street game that has been part of social gatherings and festivals in the country for years. The game is also popular in the Northeastern part of India, tracing its root back to the region where it originated. The game of Jhandi Munda is hugely popular and its popularity can be attributed to the fact that the game is simple and easy to play.

The game of Jhandi Munda is played with 6, 6-sided dice, and different symbols are printed on the six faces of every dice, such as Flag, Face, Club, Diamond, Spade, and Crown. Each player places a bet or chooses the symbol that is most likely to appear face up most often.

Jhandi Munda has become very popular and it is not surprising to

find people on different platforms such as Omegle to talk about this game. This game is also available online on different platforms where you will find the game with new, exciting features.

**Andar Bahar :**

Andar Bahar is a popular card game that is popular in northeast India. The game originated in the Southern part of the country in the city of Bangalore and since the game was developed, it has been popular ever since in the country.

There has been the gamification process of the Indian games going and Andar Bahar is one of those games that can also be played digitally. You can play this with real-time human players online and enjoy your favorite game.

**Luka Vaku**

Luka Vaku is a game that is commonly played by children in Assam. In the game of Luka Vaku, children gather together and one player is blinded by putting a piece of cloth on his eyes while the other players hide within a predefined area. The blinded players have to search for the other players while they hide.

If he manages to find someone then that player will be out of the game. If the blinded player manages to find all the players then he wins the game .

whereas if he is not able to find all the players then he needs to surrender.

**Rummy :**

Rummy is a card game that is not only popular in India but across the whole world and has been played in different parts of the world for decades now. Rummy comes with numerous variants and in every part of the world, the variants of the game are different but the basic rules remain the same.

The game of Rummy is also very popular in the northeastern part of India and is actively played in the region at different social gatherings,

festivals, and special events. Rummy has become so popular that it is now even available online on different websites and platforms. People all over the world like playing this game and even on social platforms like Chatiw, you will find people talking about this game.

Rummy became very popular during and after the COVID times. During this time, the Rummy industry experienced phenomenal growth.

**Ghila :**

Ghila is an ancient game that is quite popular among the Northeastern Indian tribes. In this game, a small stone called Ghila is used to toss within five or six square-shaped boxes drawn on the ground. The game starts when one of the players tosses the Ghilla in the first box from the right-hand side and then the player slides the Ghila with one foot while lifting the other foot in the air.

In this way, the player has to jump and slide the stone out of the boxes with one leg/foot only. The only condition in this game is that the player cannot touch the line of boxes with his foot or Ghila. If a player touches the lines of the box then he is out of the game.

Chandrapal Barua
2nd semester, Department of Physics
Nalbari College, Nalbari

# Since we were two

If you were my rose, then I would be your sun
Painting your rainbows when the rain comes;
I would change my orbit to banish the night,
As to keep you in my nurturing light.
If you were my world, then I'd be your moon,
Your silent protector, a night light in the gloom.
Our fates intertwined two bodies in motion,
Through time and space, our dance of devotion.
If you were my island, then I'd be your sea
Caressing your shores, soft and gentle I'd be
If you were love's promise, then I would be time
Your constant companion till stars align.
And though we were mere mortals, true love is divine
And to my devotion eternal
To my one valentine.

Akash Acharya
2nd semester, Department of Physics
Nalbari College, Nalbari

# THE ROAR

"How dareth thee n mine own frest"
I heard that silent voice in my own head
As I walked past the woods.
Those expected struts forged terror in my minds
An optimist lost hopes, a narcissist arrived
It peeped at me
Waiting until the victim horrified
Counting the last breath of my life.

Bedanta Bikash Baishya
2nd semester, Department of Physics
Nalbari College, Nalbari

# The Waif

Due at noon in the scorching rays of the midsummer sun
from where comes the wail of a soulful song?
Let's come and see. O God ! here is a child lying
ragged and tattered in dust and heat and in his bony hands
holding a begging bowl which he clinks every now and then-
for God's sake have pity on me but in this contemptuous
hurly burly of life
who is there to stand and spare for the deplorable waif ?
People come and go just lashing at him his bowl is still
empty but now he weeps no more he is all silent
of disappointment and despair and asks
"Is this humanity ???"

Ricky Sarania
4th semester, Department of Physics
Nalbari College, Nalbari

# মহাবিদ্যালয় সপ্তাহ-২০২৩ ত পদাৰ্থ বিজ্ঞান বিভাগৰ পুৰস্কাৰ সমূহ

📌বিভাগীয় পৰিষ্কাৰ প্ৰতিযোগিতাত :- প্ৰথম স্থান
📌প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাত :- তৃতীয় স্থান
📌সাংস্কৃতিক শোভাযাত্ৰাত :- তৃতীয় স্থান

১)শ্ৰেষ্ঠ নৃত্য শিল্পী ২০২২ (Dhanistha Deka)
২) শ্ৰেষ্ঠ তাৰ্কিক (Samudra Baishya)
৩)জয়ন্ত হাজৰিকা সংগীত প্ৰতিযোগিতাত প্ৰথম স্থান(Gitartha Talukdar)
৪)বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতাত প্ৰথম স্থান(Gitartha Talukdar)
৫)জ্যোতি সংগীত প্ৰতিযোগিতাত প্ৰথম স্থান(Gitartha Talukdar)
৬)তাল বাদ্য প্ৰতিযোগিতাত প্ৰথম স্থান ( Dhanistha Deka)
৭)শাস্ত্ৰীয় নৃত্য প্ৰতিযোগিতাত প্ৰথম স্থান (Dhanistha Deka)
৮)অসমীয়া একক আধুনিক নৃত্য প্ৰতিযোগিতাত প্ৰথম স্থান (Dhanistha Deka)
৯)দলীয় আধুনিক নৃত্য প্ৰতিযোগিতাত প্ৰথম স্থান ( Dhanistha Deka)
১০)দলীয়া লোক নৃত্য প্ৰতিযোগিতাত প্ৰথম স্থান ( Dhanistha Deka)
১১)ৰোমাণ্টিক যুটী প্ৰতিযোগিতাত প্ৰথম স্থান ( Dhanistha Deka)
১২)অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতাত প্ৰথম স্থান ( Dhanistha Deka)
১৩)লুদু খেল প্ৰতিযোগিতাত প্ৰথম স্থান (Abhilash Sarma)
১৪)কাৰ্টুনিং প্ৰতিযোগিতাত প্ৰথম স্থান ( Silpa Kalita)
১৫) আকস্মিক বক্তৃতা প্ৰতিযোগিতাত দ্বিতীয় স্থান (Samudra Baishya)
১৬)শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতাত দ্বিতীয় স্থান (Gitartha Talukdar)
১৭)ভেশচন প্ৰতিযোগিতাত দ্বিতীয় স্থান (Dhanistha Deka)
১৮)দৰা কইনা প্ৰতিযোগিতাত দ্বিতীয় স্থান (Dhanistha Deka, Alakesh Haloi)
১৯)আল্পনা প্ৰতিযোগিতাত দ্বিতীয় স্থান (Silpa kalita, Nishita Misra)
২০)স্পট ফটোগ্ৰাফী প্ৰতিযোগিতাত দ্বিতীয় স্থান (Tanmoy Sarma)
২১)ভলীবল প্ৰতিযোগিতাত দ্বিতীয় স্থান (Abhilash, Bhargav,....)
২২) তৰ্ক প্ৰতিযোগিতাত দ্বিতীয় স্থান (Deepjyoti Sarma)
২৩)লোকগীত প্ৰতিযোগিতাত তৃতীয় স্থান (Gitartha Talukdar)
২৪)বনগীত প্ৰতিযোগিতাত তৃতীয় স্থান (Gitartha Talukdar)
২৫)স্বৰবাদ্য প্ৰতিযোগিতাত তৃতীয় স্থান (Gitartha Talukdar)
২৬)লোক সংগীত প্ৰতিযোগিতাত তৃতীয় স্থান (Dhanistha Deka)

২৭)বনগীত প্ৰতিযোগিতাত তৃতীয় স্থান (Dhanistha Deka)
২৮)পৰম্পৰাগত জনজাতীয় সংগীত প্ৰতিযোগিতাত তৃতীয় স্থান (Dhanistha Deka)
২৯)কুইজ প্ৰতিযোগিতাত তৃতীয় স্থান (Deepjyoti Sarma, Nabajyoti Baishya, Alakesh Haloi)
৩০অনুবাদ সাহিত্য প্ৰতিযোগিতাত তৃতীয় স্থান (Deepjyoti Sarma)
৩১)সমবেত সংগীত প্ৰতিযোগিতাত তৃতীয় স্থান (Deep Jyoti Sarma, Dhanistha Deka, Gitartha Talukdar, Nabajyoti Baishya, Alakesh Haloi, Bhargav Das, Himangshu Mahanta, Chandrapal Baruah)
৩২)স্পট পেইন্টিং প্ৰতিযোগিতাত তৃতীয় স্থান (Silpa kalita)
৩৩)চুটিগল্প প্ৰতিযোগিতাত তৃতীয় স্থান (Silpa kalita)
৩৪)তাল বাদ্য প্ৰতিযোগিতাত তৃতীয় স্থান (Bhargab Das)
৩৫)ভাৰতীয় লোক নৃত্য প্ৰতিযোগিতাত তৃতীয় স্থান (Bhargab Das)
৩৬)মুকাভিনয় প্ৰতিযোগিতাত বিচাৰকৰ বিশেষ বঁটা (Dhanistha Deka)

-সম্পাদনা সমিতি

# PHOTO GALLERY








@NalbariCollege






**পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰথমখন ই আলোচনী উন্মোচন। তথা নলবাৰী কলেজৰ প্ৰথমখন বিভাগীয় ই আলোচনী।**

# PHOTO GALLERY




Departmental Wall Magazine Also Got 3rd prize in College Week

Departmental Wall Magazine Innuguration







Departmental Wall Magazine Editorial Board

# PHOTO GALLERY









**মহাবিদ্যালয় সপ্তাহ-২০২৩ ত পদাৰ্থ বিজ্ঞান বিভাগৰ সাংস্কৃতিক শোভাযাত্ৰাৰ কিছু দৃশ্যাংশ**

# PHOTO GALLERY






মহাবিদ্যালয় সপ্তাহ-২০২৩ ত পদাৰ্থ বিজ্ঞান বিভাগৰ সফলতা সমূহ

# PHOTO GALLERY












২০২২ বৰ্ষত পদাৰ্থ বিজ্ঞান বিভাগত
শিক্ষক দিৱস উদযাপন আৰু বৃক্ষৰোপণ

# PHOTO GALLERY











২০২১ বৰ্ষৰ পদাৰ্থ বিজ্ঞান বিভাগৰ
শিক্ষামূলক ভ্ৰমণৰ কিছু দৃশ্যাংশ

# PHOTO GALLERY











২০২২ বৰ্ষৰ পদাৰ্থ বিজ্ঞান বিভাগৰ
শিক্ষামূলক ভ্ৰমণৰ কিছু দৃশ্যাংশ

# PHOTO GALLERY









পদাৰ্থ বিজ্ঞান বিভাগৰ পৰা প্ৰকাশ কৰা
Spectrum ৰ উন্মোচন

# PHOTOGRAPHY











# NABAJYOTI

# PHOTOGRAPHY


















# SAMUDRA

# PHOTOGRAPHY












# RICKY

# PHOTOGRAPHY
















# CHANDRAPAL

# PHOTOGRAPHY














# MANISHA

# PHOTOGRAPHY











**DEEP JYOTI BARMAN** **AKASH ACHARYYA**